প্ৰথম প্ৰকাশ

# আলোচনী

# নব-জ্যোতি

১ম সংখ্যা

NABAJYOTI COLLEGE LIBRARY
P.O. KALGACHIA

মহাবিদ্যালয়

সম্পাদক

মোঃ ৰফিকুল ইছলাম

# নৱজ্যোতি মহাবিদ্যালয়ৰ মুখ-পত্ৰ

NABAJYOTI COLLEGE LIBRARY
Estd.-1971
Dist. Kamrup (Assam)
P.O. KALGACHIA

★

প্ৰথম প্ৰকাশ

১৯৭৮-৭৯ চন

★

তত্বাৱধায়ক—
শ্ৰীভগীৰথ নাথ

সম্পাদক—
মোঃ ৰফিকুল ইছলাম

★

নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

পোঃ অঃ— কলগাছিয়া।

কামৰূপ (অসম)

## সম্পাদনা সমিতি—

অধ্যক্ষ— আঃ ছাত্তাৰ আহম্মেদ, সভাপতি
উপাধ্যক্ষ—মোজাম্মেল হুছেইন, উপসভাপতি
শ্ৰীভগীৰথ নাথ, (তত্বাৱধায়ক)
ওমৰ আলী আহম্মেদ
খন্দকাৰ গফুৰ
মোঃ ৰফিকুল ইছলাম, সম্পাদক
মোঃ আজাহাৰ আলী, সদস্য
মোঃ শাৰফান আলী, সদস্য
আঃ ছামাদ আহম্মেদ, সদস্য

## সূচীপত্ৰ


| | | |
|---|---|---|
| নৱজ্যোতি (কবিতা) | ১ | মোঃ ৰফিকুল ইছলাম |
| শিল্প উন্নয়নৰ পথত বাধা (প্ৰবন্ধ) | ২ | জামাল উদ্দিন আহমেদ |
| আধা পোৰা চিগাৰেট (কবিতা) | ৫ | আঃ কৰিম ভূঞা |
| মানুহৰ আদৰ্শ (প্ৰবন্ধ) | ৬ | মোস্তাফিজুৰ ৰহমান |
| প্ৰতীক্ষা (কবিতা) | ৯ | খন্দকাৰ আব্দুৰ ৰহিম |
| বেদনা (চুটি গল্প) | ১০ | এ, মালিক |
| নিশাৰ সপোন (কবিতা) | ১২ | এম, এ, ৰহমান |
| কীট্‌ছৰ জীৱন আলেখ্যলৈ এভুমুকি (প্ৰবন্ধ) | ১৩ | মহঃ আজাহাৰ আলী |
| ভাল পাওঁ মই (কবিতা) | ১৬ | মিছ্‌ কদভানু চৌধুৰী |
| ছায়া মূৰ্ত্তি (কবিতা) | ১৭ | মোঃ নবিবৰ ৰহমান |
| সন্তৰণ (গল্প) | ১৮ | তাজউদ্দিন আহমেদ |
| কবিতা সাঁথৰ (কবিতা) | ২২ | মোঃ মজিবৰ ৰহমান |
| ৰহস্য (কবিতা) | ২৩ | হাছান আলী আহমেদ |
| মহাত্মা ইমাম গাজ্জালী | ২৪ | মোহাম্মদ ছোলায়মান খান, এম-এ |
| সুখৰ জীৱন (কবিতা) | ৩০ | ইছলাম উদ্দিন আহমেদ |



### English Section


| | | |
|---|---|---|
| G. B. S. The iconoclast | 1 | A. S. Ahmed, Principal. |
| Role of a student in a democratic country, | 5 | Md. Mozammel Hussain, Vice-Principal |
| Report of the Editor | 7 | |
| সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ক | |
| সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ঘ | |
| খেল-ধেমালি সম্পাদকৰ প্ৰতিবেদন | চ | |
| সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন | ছ | |
| ক্ৰীড়া প্ৰতিযোগিতাৰ ফলাফল | জ | |
| গান প্ৰতিযোগিতাৰ ফলাফল | ঝ | |
| ছাত্ৰ একতা সভাৰ সভ্যসকল | ঝ | |
| বিভিন্ন বিভাগৰ শিক্ষকসকল | ঞ | |
| শ্ৰদ্ধাভাজন শিক্ষকসকল | ঞ | |



*Abdus Sattar Ahmed,* M.A.
Our Beloved Principal, Nabajyoti College, Kalgachia.

NABAJYOTI COLLEGE LIBRARY,
Estd-1971
Dist: Kamrup,
(Assam)
P.O. KALGACHIA



*Mozammel Hussain,*
M. A. L. L. B.
Vice-Principal, Nabajyoti College
Kalgachia.

কবিতা

# নৱজ্যোতি

হে মহান নৱজ্যোতি
তোমালৈ হেজাৰ প্ৰণাম
তুমিয়েই আমাৰ জ্ঞানৰ প্ৰদীপ,
তুমিয়েই আমাৰ জ্যোতি।

তোমাৰ প্ৰজ্বলিত শিখাই
কৰিছে আমাক
জ্ঞানৰ প্ৰদীপ দান
জ্বলাই তুলিলা আমাৰ
অন্ধকাৰ মন।

তোমাৰ এয়া মহান প্ৰাণ
তুমিয়েই আমাৰ জ্ঞান চকু দাতা—
তুমিয়েই আমাৰ ধন॥

লৈছা তুমি দীৰ্ঘ জীৱন
নবীনা প্ৰকাশেৰে
নব্যক তুমি সাদৰি লোৱা
তোমাৰ অসীম শান্তিৰে।

হে মহান নৱজ্যোতি
নেযাবা আঁতৰি
আমাৰ মাজৰ পৰা,
বছৰে বছৰে আদৰিছোঁ। তোমাক
আমাৰ লিখনিৰ দ্বাৰা।
হে নৱজ্যোতি
তোমালৈ কৰিছোঁ প্ৰণাম॥

মোঃ ৰফিকুল ইছলাম
স্নাতক কলা, দ্বিতীয় বাৰ্ষিক

## প্ৰবন্ধ

# শিল্প উন্নয়নৰ পথত বাধা

জামাল উদ্দিন আহমেদ
স্নাতক কলা, দ্বিতীয় বাৰ্ষিক

দৰিদ্ৰ আৰু বেকাৰৰ সমস্যাই আজি ইমান তীব্ৰ আকাৰ ধাৰণ কৰিছে যে দেশৰ কোনো মানুহে এই সমস্যাৰ পৰা হাত সাৰিব পৰা নাই। বেকাৰ সমস্যা সমাধানৰ কথাটো আজি কালি এটা ফেচনত পৰিণত হৈছে। বহুতেই কয় যে; একমাত্ৰ কুটিৰ শিল্পৰ সম্প্ৰসাৰণৰ দ্বাৰাই বেকাৰ সমস্যা সমাধান কৰাৰ একমাত্ৰ উত্তম উপায়। ইয়াৰ বাবে অনেক পৰিকল্পনা আৰু কৰ্মসূচী গ্ৰহণ কৰা হৈছে, কিন্তু বাস্তৱতাই যে সকলো কৰ্মসূচী আৰু পৰিকল্পনাক বৃদ্ধাঙ্গুলী দেখুৱাই দৰিদ্ৰতা আৰু বেকাৰৰ সংখ্যা ক্ৰমে বঢ়াই নিছে।

আজি কালি বহুতেই শিল্প উন্নয়নৰ পথত বাধা আছে বুলি কয়। সেই বাধা অৰ্থাৎ সমস্যাবিলাক আতৰ কৰিব নোৱাৰিলে শিল্পৰ উন্নতি নহব। উদাহৰণ স্বৰূপে, তেওঁলোকে মূল ধনৰ কথা, কেঁচামালৰ কথা আৰু বিভিন্ন ধৰণৰ কৰৰ কথাওঁ কয়। কিন্তু শিল্প উন্নয়নৰ পথত থকা আচল বাধাবোৰলৈ মন কাণ নকৰে।

এতিয়া আমি এটা কথা চিন্তা কৰি চোৱা উচিত। যদি আমি ধৰি লওঁ যে আমাৰ দেশত থকা সকলো শিল্পপতিক বেংকৰ পৰা উপযুক্ত হাৰত ঋণ দিয়া হৈছে, প্ৰচুৰ পৰিমাণে কেঁচামাল যোগান ধৰা হৈছে; বৈদ্যুতিক সা-সুবিধা দিয়া হৈছে, শ্ৰমিক আৰু যন্ত্ৰপাতি পোৱাৰ ক্ষেত্ৰত শিল্পপতি সকলক প্ৰচুৰ সুবিধা দিয়া হৈছে। মুঠতে যিবোৰ অভাৱ অভিযোগৰ দাবী শিল্পপতি সকলে কৰে, সকলো দাবী যদি পূৰণ কৰা হয়; তেতিয়া আমাৰ দেশৰ উৎপাদনৰ কাম চলাই যোৱা সম্ভৱ হব নে? এই ধৰণৰ সকলো সুবিধা দিয়াকেই আদৰ্শ পৰিস্থিতি বুলি কোৱা হয়। এই আদৰ্শ পৰিস্থিতিতে শিল্প সংস্থাবিলাকে যিবোৰ উৎপাদন কৰিব, সেইবোৰ উৎপাদিত সামগ্ৰী ক্ৰয় কৰিবৰ ক্ষমতা আমাৰ দেশৰ মানুহৰ যদি নাথাকে তেন্তে উপৰোক্ত সকলো সুযোগ সুবিধা দিয়া স্বত্বেও দেশৰ শিল্প সংস্থাবিলাক ৰুগীয়া হৈ পৰিব, বন্ধ হৈ যাব।

শিল্প সংস্থাবিলাকৰ উৎপাদিত সামগ্ৰী বিলাক ক্ৰয় কৰিবৰ ক্ষমতা আমাৰ দেশৰ ৭৫ শতাংশ মানুহৰ নাই বুলি কলেওঁ ভুল কোৱা নহব। শতকৰা ৭৫ জন মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰিছে। আকৌ ৭৫% জন মানুহ গাৱত বাস কৰে। ক্ৰয় ক্ষমতাহীন ৭৫ শতাংশৰ প্ৰধান অংশই গাৱত বাস কৰে। একমাত্ৰ কুটিৰ শিল্পৰ বিকাশৰ মাজেৰে দৰিদ্ৰতা দূৰ কৰা আৰু ক্ৰয় ক্ষমতা সৃষ্টি কৰা সম্ভৱ নহয়। আনহাতে যদি এই বেটি সংখ্যক জনসাধাৰণৰ দৰিদ্ৰতা দূৰ কৰিব পৰা নাযায় আৰু ক্ৰয় ক্ষমতা বৃদ্ধি কৰিব পৰা নাযায় তেন্তে শিল্পৰ ভৱিষ্যত কেতিয়াও উজ্জ্বল নহব।

বিগত ৩১ বছৰতো এই কথাটো চিন্তা কৰি চাবৰ অবকাশ আমাৰ ৰাজনৈতিক নেতা সকলে নাপালে। তেওঁলোকে বহুতো তত্ব দাঙি ধৰিছে যিবোৰ তত্বৰ সম্প্ৰসাৰণত বিশেষ এক শ্ৰেণীৰ লোকৰ স্বাৰ্থ পূৰণ হৈছে, আনহাতে অধিক সংখ্যক জনসাধাৰণ বিকট অৰ্থ সংকটৰ সন্মুখীন হৈছে।

আমাৰ গাৱলীয়া ৰাইজৰ আচল সম্পদ ভূমি। স্বাধীনতাৰ ৩০ বছৰ পিছত শস্য উৎপাদনত উন্নতি কৰা নাই বুলি কলে ভুল কোৱা হব। কিন্তু সেই উন্নতিত আমাৰ গৰিব জনসাধাৰণৰ কোনো উপকাৰ হোৱা নাই। কাৰণ শতকৰা ৫০ জন মানুহ ভূমি-হীন। শতকৰা ২০ জনৰ যি মাটি আছে তাৰে বছৰৰ সম্পূৰ্ণ খৰচ চলিব নোৱাৰে। অৰ্থাৎ ভাৰতৰ জনগণৰ শতকৰা ৭০ জন দৰিদ্ৰৰ চূড়ান্ত সীমা পাইছেগৈ। গাৱলীয়া জনসাধাৰণৰ শতকৰা ১৫ ভাগৰ যি মাটি আছে তাৰ দ্বাৰা কোনোমতে চলিব পাৰে। শতকৰা ১০ জনৰ হাতত যি মাটি আছে, তাৰ দ্বাৰা তেওঁলোকৰ গোটেই বছৰৰ খোৱা খৰচৰ উপৰিও ৰাহি ধন থাকি যায়। বাকী শতকৰা ৫ জনৰ হাতত যি মাটি আছে, এই মাটিৰ পৰা শস্য উৎপন্ন কৰাৰ সকলো সুযোগ সুবিধা পাই উচ্চ পৰ্য্যায়ৰ ধনী হব পাৰিছে। কাৰণ গোটেই দেশৰ আবাদ যোগ্য মাটিৰ ৪০ শতাংশ এই ৫ শতাংশ জনসাধাৰণৰ হাততেই আছে। গতিকে আমাৰ ভাৰত চৰকাৰে কৃষিৰ উন্নতিকল্পে যথেষ্ট কৰিছে যদিওঁ এই উন্নতিৰ ভাগ দেশৰ শতকৰা ৭০ জনে লব পৰা নাই। শতকৰা ৫ জনে ইয়াৰ সুবিধা পাই ধনী হোৱাৰ সুবিধা পাইছে। ইয়াৰ দ্বাৰায় প্ৰমাণিত হয় আমালোকৰ চৰকাৰ কাৰ প্ৰতিনিধি। ধনীৰ নে গৰিবৰ?

যিহেতু কৃষিৰ উন্নতিৰ কাৰণে গাৱৰ ৭ শতাংশ মানুহৰ কোনো উন্নতি হোৱা নাই গতিকে বিগত ৩০ বছৰতো এওঁলোকৰ মাজত শিল্প দ্ৰব্যৰ বজাৰ সৃষ্টি কৰা সম্ভৱ হোৱা নাই। যিসকলৰ উন্নতি হৈছে তেওঁ-লোকে আগতেওঁ ক্ৰয় ক্ষমতাৰ অধিকাৰী আছিল। গতিকে দেখা যায় যে, দেশত নতুন শিল্প গঢ়ি উঠা দূৰৰ কথা পুৰণি শিল্পই মৰাৰ পথত।

চৰকাৰী পদ্ধতিৰে কৃষিৰ উন্নতি কৰা স্বত্বেওঁ শতকৰা ৭০ জন মানুহৰ, অৰ্থনৈতিক অৱনতি ঘটাৰ কাৰণ এইটোৱেই। যি সমাজ ব্যৱস্থাত গাৱত শতকৰা ৫০ জনৰ মাটি নাই আৰু শতকৰা ২০ জনৰ যি মাটি আছে তাৰ

দ্বাৰা পৰিয়াল পোহপাল দিওঁতে নেথাই মৰাৰ দশা। গাৰলীয়া জনসাধাৰণৰ শতকৰা ৫ ভাগে যে ৪০ শতাংশ আবাদী মাটিৰ অধিকাৰী! সেই মাটি যদি ৭০ শতাংশ গৰিব কৃষকৰ মাজত এনেদৰে বিতৰণ কৰা হয় যাতে তেওঁলোকে ভালদৰে নিজৰ পৰিয়ালক পোহপাল দিব পাৰে। তেতিয়া তেওঁলোকৰ ক্ৰয় ক্ষমতা বাঢ়িব। এই ব্যাপক সংখ্যক জনসাধাৰণে ক্ৰয় ক্ষমতা বৃদ্ধিৰ ফলত যেতিয়া শিল্পজাত দ্ৰব্য ক্ৰয় কৰিবৰ কাৰণে আগবাঢ়ি আহিব তেতিয়াহে মাত্ৰ শিল্প উন্নয়নৰ পথত থকা কাঁইট ভাঙি পেলোৱা হব।

স্বাভাৱিকতে শিল্প উন্নয়নৰ স্বাৰ্থতেই আজি সৰ্বস্তৰৰ জনসাধাৰণে এই বিকল্প পথকেই সচেতন কৰি তুলিব লাগিব। আনকি এই পদ্ধতিক বাস্তৱত ৰূপ দিয়াৰ উপযুক্ত ব্যৱস্থা হাতত লব লাগিব। এই পদ্ধতিক অৱহেলা কৰি অন্যান্য সাহায্য, অনুদান, বিশেষ বিশেষ সুযোগ-সুবিধা আদিৰ কাৰণে চিঞৰ-বাখৰ কৰি সেই দাবী পূৰণ কৰিওঁ আমাৰ দেশৰ শিল্পৰ উন্নতিৰ পথত থকা বাধা আতৰাব নোৱাৰিম। আমাৰ দেশৰ শিল্প উন্নয়নৰ সমস্যাৰ প্ৰধান সমস্যা হ'ল বজাৰৰ সমস্যা। আমাৰ বিৰাট জন বহুল দেশত আভ্যন্তৰীণ বজাৰ সৃষ্টিৰ সম্ভাৱনাক, ৰুদ্ধ কৰি, ৰপ্তানি বৃদ্ধিৰ প্ৰচেষ্টা আৰু শিল্পপতিসকলক সাহায্য অনুদান দিয়াৰ ব্যৱস্থা কৰিলে গছৰ গুৰিত পানী নিদি ভাল পাতত দিয়াৰ নিচিনা হব।







# আধা পোৰা চিগাৰেট

আঃ কৰিম ভুঞা
প্ৰাঃ বিঃ দ্বিতীয় বাৰ্ষিক, কলা

মাতৃৰ বুকুত আৰু কিমানদিন থাকিম?
দিন আছেনে নাই?
শান্তিৰ নিৰ ভাঙি যাব
যেতিয়া পাব পাৰ,
সেইটোনো কি?
আধা পোৰা চিগাৰেট,
নাইযে তাৰ পাৰ।
আমাৰ জীৱন উলাহেৰে ভৰা
শান্তিৰ কুঁৱলীত বুৰা,
নেজানি নুশুনি সেইবোৰ আজি
বেয়া হৈ যায় আধাখিনিতে
ঠিক যেন আধা পোৰা
এডাল চিগাৰেট।
সংকীৰ্ণ বাট খোজ কাঢ়ি
সোনকালে হব লাগিব পাৰ,
পাৰ হব নোৱাৰিলে আগতে আধাতে
ধৰিব যে ঘৃণে আমাক।
ঘূণে যাতে ধৰিব নোৱাৰে
তাৰ বাবে সাজু হোৱা,
মুক্তিৰ পথ বিচাৰি জীৱনক লৈ যোৱা
যাতে নহয় আৰু,
আলি বাটত পেলাই থোৱা
আধা পোৰা চিগাৰেট।

প্ৰবন্ধ

# “মানুহৰ আদৰ্শ”

মোস্তাফিজুৰ ৰহমান
প্ৰাঃ বিঃ প্ৰথম বাৰ্ষিক কলা

মানুহৰ জীৱনটোক সুন্দৰভাৱে গঢ়ি তুলিবলৈ হ'লে এটি মহৎ আদৰ্শৰ অনুসৰণ কৰা আৱশ্যক। মহৎ আদৰ্শৰ দ্বাৰা জীৱন গঠন নহলে মানুহে পৰিপূৰ্ণতা লাভ কৰিব নোৱাৰে। যাৰ আদৰ্শ যিমান মহৎ তেওঁৰ লক্ষ্য সিমান উচ্চ; তেওঁৰ জীৱনৰ সফলতা সিমান উচ্চ ধৰণৰ হব। এই কাৰণে মানুহ আদৰ্শবান হোৱাটো অতি দৰকাৰী। প্ৰত্যেক জাতি, প্ৰত্যেক সমাজ আৰু দেশতে এই আদৰ্শৰ প্ৰতি আকৰ্ষণ থকা দেখা যায়।

যিয়ে যি ধৰণে জীৱন যাপন কৰিবলৈ অভিলাস কৰে, তেওঁ সেই ধৰণৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হয়। যিয়ে যি পথত চলিবলৈ ইচ্ছা কৰে তেওঁ সেই ধৰণৰ আদৰ্শ পুৰুষৰ আদৰ্শ অনুসৰণ কৰে। ছাত্ৰৰ আদৰ্শ উপযুক্ত শিক্ষক, কবিৰ আদৰ্শ কবি, বক্তাৰ আদৰ্শ শ্ৰেষ্ঠ বক্তা,— ব্যৱসায়ীৰ আদৰ্শ শ্ৰেষ্ঠ ব্যৱসায়ী, ধাৰ্মিকৰ আদৰ্শ সাধক। মুঠৰ ওপৰত যাৰ যিটো কৰ্ম্মপথ, সেই পথত সৰ্ব্বজন সমাদৃত যশ গৌৰৱৰ অধিকাৰী হৈ তেওঁ সেই পথ অনুসৰণ কৰে, যিহেতু যিয়ে যিমান ন্যায় নিষ্ঠাৰ সৈতে আদৰ্শক জীৱনত গ্ৰহণ আৰু কাৰ্য্যকৰী কৰিব পাৰে, সাধনাত সিদ্ধি লাভৰ সম্ভাৱনা তেওঁৰ সিমান অধিক হ'ব। সংসাৰী মানুহসকল তেওঁলোকে কোনো আদৰ্শ গ্ৰহণ কৰিলে জীৱনটোক সকলো ফালেদি সাফল্য মণ্ডিত কৰিবলৈ সক্ষম হ'ব পাৰে। সেইটোৱেই হ'ব আলোচনাৰ বিষয়।

মানুহ জীয়াই থাকিবলৈ হলে অৰ্থ উপাৰ্জ্জন কৰিব লাগিব; সংসাৰ ধৰ্ম পালন কৰিবলৈ হলে স্ত্ৰী-পুত্ৰ, পৰিয়ালৰ ভৰণ-পোষণত শিক্ষা-দিক্ষাৰ দায়িত্ব গ্ৰহণ কৰিবলৈ হলে দেশৰ, সমাজৰ আৰু দহজনৰ মঙ্গল সাধন কৰিবলৈ হলে ধৰ্ম নিষ্ঠাৰ সৈতে পবিত্ৰ জীৱন যাপন কৰিব লাগিব।

ইয়াৰ বাবে যিকোনো এটা কাৰ্য্যক অৱহেলা কৰিলে বুজিব লাগিব যে মানৱ জীৱনৰ সম্পূৰ্ণ কৰ্ত্তব্য সাধন নকৰিলে তেওঁৰ পৰিপূৰ্ণতা নহয়। মানুহ হিচাপে এনে কোনো মহাপুৰুষৰ আদৰ্শ গ্ৰহণ কৰিব লাগিব, যাৰ দ্বাৰা গোটেই জীৱনৰ কৰ্ত্তব্য পালন কৰি সফলতা লাভ কৰা সম্ভৱ। ইয়াত কোনো জাতিৰ কথা. সমাজৰ কথা, কাৰো কথা কৰলৈ যোৱা নাই। কাৰণ মহাপুৰুষ সকলৰ স্থান আৰু ধৰ্ম্মৰ গতিৰ বহুত উৰ্দ্ধত।

যেতিয়া জগতত পাপ, অৰাজকতা আহি পৰে তেতিয়াই মহাপুৰুষসকলৰ আৱিৰ্ভাব হয়। সেইসকল মহাপুৰুষৰ ভিতৰত হজৰত মহম্মদ (দঃ) সৰ্ব্বশ্ৰেষ্ঠ মহাপুৰুষ আছিল। এতিয়া ইয়াত হয়তো প্ৰশ্ন উঠিব পাৰে, হজৰত মহম্মদ (দঃ) পয়গাম্বৰ। আমি কওঁ যে তেখেতে আল্লাহৰ পয়গাম আনিছিল সত্য। তেখেতে উচ্চস্বৰে, গম্ভীৰস্বৰে ঘোষণা কৰিছিল যে, মই তোমালোকৰ নিচিনা মানুহ। তেখেতে দেৱতাৰ আসন দাবী কৰা নাই। এনে কোনো কাম কৰা নাই যিটো তেখেতে মানুহৰ পৰা স্বতন্ত্ৰ কৰি ভৱা বুলি উচিত নহব। তেখেতৰ জীৱন আৰু চৰিত্ৰ বিশ্লেষণৰ এই কথা আৰু স্পষ্টভাৱে বুজা যায়।

হজৰত মহম্মদ (দঃ) মানুহ আব্দুল্লাহ আৰু আমিনাৰ পুতেক। ল'ৰা কালৰ পৰা তেখেতে মানুহৰ নিচিনাই শ-শ পথাৰে পথাৰে ছাগলী, ভেঁৰা চৰাইছিল। যৌৱন কালত ব্যৱসায় বাণিজ্য কৰিছিল। বিবাহ-বাৰু কৰিছিল, সংসাৰ কৰিছিল, মক্কাৰ মেলাৰ দুঃত আতুৰজনক সেৱা কৰিছিল। তাৰ পিছত যেতিয়া খোদাৰ নিৰ্দ্দেশ পালে, তেতিয়া সম্পূৰ্ণ ভয়-ভীত উপেক্ষা কৰি অকুণ্ঠিত মনে সত্য বাৰ্ত্তা ঘোষণা কৰিছিল। তাৰ পিছত শত সহস্ৰ লাঞ্ছনা নিৰ্য্যাতন ভোগ কৰি অন্যায় অবিচাৰৰ অত্যাচাৰৰ বিৰুদ্ধে বুকু ফিন্দাই থিয় হৈছিল। জীৱনত কেতিয়াও মিছা কোৱা নাছিল। যেতিয়া প্ৰয়োজন হৈছিল তেতিয়াই অত্যাচাৰীৰ বিৰুদ্ধে নিজ হাতে শাণিত তৰোৱাল ধৰি যুদ্ধ কৰিছিল। যি বুঢ়াই তেখেতৰ মৃত্যু কামনা কৰি পথত কাঁটই পুতি ৰাখিছিল, তেওঁৰ অসুখৰ সময়ত তেখেতে স্বেচ্ছায় নিজ হাতে সেৱা-যত্ন কৰিছিল।

মানৱ জীৱনৰ প্ৰধান কৰ্ত্তব্য স্ত্ৰী-পুত্ৰৰ পৰিয়ালৰ ভৰণৰ ব্যৱস্থা সেইটোৱেই তেখেতে কৰিছিল। নবী নন্দিনী ফাতেমা জহুৰাৰ উপযুক্ত শিক্ষা, যথাসময়ত বিবাহ দিয়া, গোটেই কাৰ্য্য সম্পাদন কৰিছিল। মানুহৰ নিচিনা জীৱন যাপন কৰি মানুহৰ নিচিনাই মৃত্যু বৰণ কৰিছিল।

পৃথিৱীৰ অন্যান্য মহাপুৰুষৰ নিচিনা তেখেতে সংসাৰ ত্যাগ কৰি ধৰ্ম্ম প্ৰচাৰত ব্ৰতী হোৱা নাই। তেখেতে কৈছিল— “ইছলামত সন্যাসৰ স্থান নাই।” ব্যৱসায়ৰ ক্ষেত্ৰত তেখেত এজন সুবিজ্ঞ ব্যৱসায়ী আছিল। সংসাৰৰ খুটি-নাটি গোটেই বিষয়ত তেখেত আছিল পূৰ্ণ সংসাৰী। ৰণ ক্ষেত্ৰত কি সৈন্য পৰিচালনাত কি ব্যূহ ৰচনাত কি আহতৰ সেৱা শুশ্ৰুষাৰ কি সন্ধি স্থাপনত সকলো ক্ষেত্ৰতে তেখেতে সমান দক্ষতা প্ৰদৰ্শন কৰিছিল। দেশ শাসনৰ সংক্ৰান্তত তেখেতৰ সু-শাসন ন্যায় বিচাৰত দেশবাসী পৰিপূৰ্ণ ভাৱে শান্তি আৰু শৃঙ্খলা লাভ কৰিছিল। একেধাৰে তেখেতে আদৰ্শ সংসাৰী, উপযুক্ত সৈনিক, দক্ষ ব্যৱসায়ী, ন্যায়পৰায়ণ, সু-শাসক, বিজ্ঞ প্ৰচাৰক, ধৰ্মনিষ্ঠ মহাসাধক। নিপীড়িত

মানৱতাৰ সেৱক সৰ্বোপৰি আদৰ্শ মানুহ। পৃথিৱীৰ বুৰঞ্জীত এই ৰূপত এনেকুৱা সৰ্ব গুণৰ মানুহ পোৱা নাযাব। যিবিলাক ব্যক্তি আজীৱন হজৰত মহম্মদৰ (দঃ) লগত শত্ৰুতা কৰিছিল। সেইসকলেও তেখেতৰ গুণত মুগ্ধ হৈ আচৰিত প্ৰশংসা কৰিছিল। সেই সকলেই তেখেতক "আলআমীন" (বিশ্বাসী) উপাধি প্ৰদান কৰিছিল।

সেইসকলৰ ওচৰত নিসন্দেহে সেই সকলৰ দ্ৰব্যাদি জামিন কৰিছিল। হজৰত মহম্মদৰ (দঃ) মৃত্যুৰ পিছত এওঁলোকেই শোকত শোকাভিভূত হৈ পৰিছিল। হজৰত মহম্মদে (দঃ) জীৱনত যি অইনক কৰিবলৈ উপদেশ দিছিল সেইটো কাম নিজেও জীৱনত কৰি দেখুৱাইছিল। বিশ্ব ইতিহাসত এই মহাপুৰুষৰ তুলনাত ক'তো দেখিবলৈ পোৱা নাযায়।

নিঃসহায় পিতৃহীন অৱস্থাৰ পৰা বিশাল সাম্ৰাজ্যৰ অধিশ্বৰ, কঙালৰ পৰা প্ৰচুৰ ধন ঐশ্বৰ্য্যৰ গৰাকী হোৱাৰ সৌভাগ্য তেখেতৰ হৈছিল। মুঠৰ ওপৰত কথা হ'ল যে সকলো শ্ৰেণীৰ মানুহেই আদৰ্শ গ্ৰহণ কৰিব পাৰে। ৰজা, প্ৰজা, ধনী, দৰিদ্ৰ, পিতা, পুত্ৰ, বালক, বৃদ্ধ, প্ৰভু, চাকৰ, ব্যৱসায়ী, ৰাজনীতিবিদ, দাৰ্শনিক, অৰ্থনীতিবিদ, বৈজ্ঞানীক, বণিক, ধনিক, সৈন্য, সেনাপতি, শাসিত, শাসনত বিচাৰক কৰ্ম্মী, ধাৰ্ম্মিক সকলোৱেই নিজ নিজ আদৰ্শ পাবলৈ হলে হজৰত মহম্মদ (দঃ)ক অনুসৰণ কৰিব লাগিব। যিহেতু যিবিলাক সংসাৰী মানুহ সেইবিলাক মানুহৰ নিচিনা সংসাৰত জীয়াই থাকিবলৈ সংসাৰৰ সেইটো এইখিনি কৰ্ম্ম কোলাহলৰ মাজতে থাকি দায়িত্ব আৰু কৰ্ত্তব্য সম্পাদন কৰি সৃষ্টি কৰ্ত্তাৰ ধ্যান সাধনাত নিজৰ জীৱনটোক প্ৰভাত কুসুমৰ নিচিনা সুন্দৰ, পৱিত্ৰ আৰু সুষমা মণ্ডিত হোৱাটো ইচ্ছা কৰে, সেই সকলৰ আদৰ্শ মহা মানৱ হজৰত মহম্মদ (দঃ), তেখেত কোনো জাতি, সমাজ বা দেশ-বিদেশৰ নহয়। তেখেত হ'ল বিশ্ব মানৱৰ (মানুহৰ) আদৰ্শ। ●





## কবিতা

# প্ৰতীক্ষা

খন্দকাৰ আব্দুৰ ৰহিম
প্ৰথম বাৰ্ষিক
প্ৰাক্ বিশ্ববিদ্যালয়

হেৰা বুভুক্ষু ভোকাতুৰ দল
অত্যাচাৰী সিংহৰ গৰ্জনত
নীৰৱে থাকিলে কি হব ?
জাগি উঠা ! নিৰ্য্যাতিত নিস্পেষিতৰ দল
সমাজ বিৱৰ্ত্তন প্ৰদৰ্শনীত অহা
তোমালোক চিত্ৰ-বিচিত্ৰ
বাটে-ঘাটে উলঙ্গ নঙঠাৰ দল।
ৰাজ আলিৰ কাষত বহি
আকাশ মাৰ্গৰ অট্টালিকা চাই
নুখুজিবা আৰু ভিক্ষা ;
প্ৰখৰ গৰম বুলি
তোমালোকৰে নিশাহত চলা
বিজুলী বিচনীৰ
বতাহেৰে শীতলাব খুজা
সিহঁতৰ হৃদয় প্ৰকৃততে সিংহৰ নহয় বুজিবা।
সেয়ে জাগা ! জাগি উঠা !!
তোমালোকেই ৰাজ আলিৰ কাষত
জাগ্ৰত হৈ বাধা দিব লাগিব।
সোণোৱালী ভাৰতৰ
ধাননি পথাৰৰ কাকতী ফৰিঙক শেষ কৰিব।
তোমালোক, তোমালোকেই
নতুন পৃথিবীক গঢ় দিবলৈ আহিব লাগিব।
আৰু কিমান দিন ?
নহয়, আৰু বেছি দূৰ নহয়
সেইদিন
যেতিয়া সূৰ্য্যৰ কিৰণেই
ঢাকি থৈ যাব
কাপোৰৰ অভাৱত তোমালোকৰ নঙঠা দেহা
সাহসৰ উত্তাপত উজ্জ্বলতৰ কৰি। ●

[ চুটি গল্প ]

# বেদনা

এ, মল্লিক
দ্বিতীয় বাৰ্ষিক, স্নাতক মহলা

ৰহিমক মনমাৰি বহি থকা দেখি ঘৈণীয়েক নুৰজাহান চিন্তাত পৰিল। ইফালে কণমান ল'ৰা কৰিম আৰু জীয়েক হামিদা খাতুনে ভোকত চিঞৰ বাখৰ লগাইছে। দুদিন ধৰি একমাত্ৰ আটাৰ বাহিৰে বিকল্প অইন কোনো আহাৰ ভোজন কৰিব পৰা নাই। কিন্তু নুৰজাহানে কণ-কণ ল'ৰা ছোৱালীহঁতৰ মাজত আজিৰ দিনৰ বাবে কোনো খোৱা বস্তুকে দিব পৰা নাই। তাই আশা কৰিছে গিৰীয়েক ৰহিমে বিক্ৰী কৰা গাইজনীৰ টকাৰে খোৱা বস্তু কিবা আনিছে। কিন্তু হায়! ৰহিমৰ মুখাকৃতি চাই নুৰজাহানৰ ধাতু উৰি গ'ল। কাৰণ ইফালে ল'ৰা-ছোৱালীহঁতে নেখাই ভোকত কল-মলাই আছে; আনহাতে তাইৰ গিৰীয়েকে গাইজনী বিক্ৰী কৰিওঁ বেজাৰ মনেৰে ঘৰত বহি আছে। নুৰজাহানে কি যেন ভাবিছে, আকাশ-পাতাল চিন্তা কৰিছে, কিবা দুৰ্ঘটনা হয়তো ঘটিছে। তাই নিজেই নিজৰ স্বামীক সাহস কৰি সুধিব নোৱাৰিলে। কিন্তু কৰিম আৰু হামিদা খাতুনৰ কান্দোনত ৰব নোৱাৰি স্বামীৰ ওচৰত আবেদন জনালে,-- "কত্তা, আপুনি বজাৰলৈ নেযায় নেকি?" ৰহিমে কোনো উত্তৰ নিদিয়াকৈ মনে মনে থাকিল। তেওঁ যেন এটা শিলৰ স্তম্ভহে।

নুৰজাহানে আকৌ সুধিলে—"আপোনাৰ কি হ'ল? এওঁলোকৰ কান্দোন আপুনি শুনা নাই যেন পাইছো। আপুনি অতি সোনকালে বজাৰলৈ যাওঁক।" ৰহিমে বেজাৰৰ সুৰত উত্তৰ দিলে, "টকাতো নাই নুৰজাহান!"

নুৰজাহান— "কি? গৰু বিক্ৰী কৰা টকা কি হ'ল?" ৰহিমে শোকে ভৰা হৃদয়েৰে উত্তৰ দিলে,— "নুৰজাহান, আমাৰ দুখ মোচনৰ একমাত্ৰ বিকল্প উপায় মৃত্যু। তাৰ বাহিৰে আমি অইন কোনো উপায়ে এই ব্যাধিৰ পৰা হাত সাৰিব নোৱাৰিম। যোৱা বছৰ জয়নাল আবদিনৰ পৰা ধাৰে অনা টকাৰ এই বছৰত সুদে-মূলে ২৫০ টকা হৈছিল। যোৱা কালি মই গাইজনী বজাৰত ২৫০ টকাত বিক্ৰী কৰা দেখি মোৰ ওচৰত টকা খোজে। কিন্তু মই সম্পূৰ্ণ টকা দিবলৈ অমান্তি হোৱাত মোৰ পকেটৰ পৰা বলপূৰ্বক কাঢ়ি নিয়ে। টকা নিদিলে আদালতৰ সহায় লব বুলিওঁ মোক ভাবুকি দেখুৱায়। এতিয়া মই কিহেৰে কি কৰো নুৰজাহান?"

নুৰজাহান হতবাক হৈ পৰিল। তাই মাত মাতিব নোৱাৰা হৈ গ'ল। ল'ৰা-ছোৱালী দুটাক তাই কি খাবলৈ দিব সেই চিন্তাত বিব্ৰত হ'ল। কব নোৱাৰাকৈ তাইৰ দুগালেদি উতপ্ত চকুলো ববলৈ ধৰিলে। ল'ৰা ছোৱালীবোৰে তাইৰ লগ নেৰা হ'ল।

এই দৃশ্য দেখি ৰহিমৰ হৃদয় চিৰাচিৰ হৈ গ'ল। তেওঁ মৃতপ্ৰায় হোৱাৰ দৰে হ'ল। তেওঁ আৰু ধৰাৰ বুকুত জীয়াই থকাৰ আশা নকৰিলে। ঘৈণীয়েক নুৰজাহানৰ শোকলগা ক্ৰন্দনৰ সুৰ শুনি ৰহিম আৰু বিহ্বল হৈ পৰিল। দুখ মনেৰে ৰহিম ঘৰৰ পৰা বাহিৰ ওলাল। গোটেই ৰাতিৰ পিছত ৰহিমৰ মৃত দেহ এজোপা বৃহদাকাৰ আম গছৰ ডালত ওলমি থকা দেখা গ'ল। ৰহিমৰ মৃত্যুত সমাজত শোকৰ ছাঁ পৰা দেখা নগ'ল।

নুৰজাহানে কৰিম আৰু হামিদাক বুকুত বান্ধি দিনবোৰ কটাবলৈ ধৰিলে। মানুহৰ দুৱাৰে দুৱাৰে ভিক্ষা বৃত্তিকেই তাই জীৱিকাৰ উপায় স্বৰূপে বাচি ললে। কিন্তু হায়! সমাজৰ শত্ৰু স্বৰূপ ধনী শ্ৰেণীৰ লোকে নুৰজাহানৰ ইমানখিনিতো শান্তি নেপাই তাইক আকৌ গভীৰ সমুদ্ৰৰ তলিত পেলাবলৈ প্ৰচেষ্টা চলালে। এদিন গাৱঁৰ মতি মহাজনে নুৰজাহানৰ স্বামীৰ ভিঠা বেদখল কৰিলে। কাৰণ ৰহিমে ৩০০ টকা মতি মহাজনৰ পৰা ধাৰ কৰিছিল। সেই টকা ৰহিমে দিব পৰা নাছিল। তাবোপৰি ৰহিমে বিগত বিধান সভাৰ নিৰ্বাচনত মতি মহাজনৰ নিৰ্দ্দেশ মতে কংগ্ৰেছ প্ৰাৰ্থীক ভোট নিদি প্ৰকাশ্যে বিৰোধিতা কৰি চি-পি-এম প্ৰাৰ্থীক ভোট প্ৰদান কৰিছিল। মতি মহাজনে ৰহিমৰ এই কামত অপমান পাই ইয়াৰ পোটক তোলাৰ কাৰণে চেগ চাই আছিল। গতিকে ৰহিমৰ মৃত্যুৰ দুই সপ্তাহমান পিছত নুৰজাহানক তাইৰ স্বামীৰ ঘৰৰ পৰা বেআইনীভাৱে আঁতৰাই দিলে। নুৰজাহানে ৩০০ টকা যোগাৰ কৰাৰ কল্পনা বাদ দি ল'ৰা-ছোৱালী দুটাক বুকুত লৈ কান্দি কান্দি বিদায় মাগিলে। নুৰজাহানে এতিয়া কি কৰিব? তাইৰ বাপেক নাই। বাপেকৰ ঘৰলৈও যাব নোৱাৰে। ক'ত যাব, কি কৰিব এইটোৱেই তাইৰ আচল চিন্তা। আকৌ পোনাকণ দুটাক খুৱাই বোৱাই জীয়াই ৰাখিব লাগিব। ভিন্নমুখী চিন্তাত নুৰজাহান ভাঙি পৰিল। তাই হৈ পৰিল সংজ্ঞাহীনা। পেটত ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই, তাই এতিয়া কি কৰিব? তাই জানো এওঁলোকৰ মৃত দেহ চাই যাব পাৰিব? তাই চিন্তা কৰি নিজে নিজেই কৈ পেলালে,— "নুৰজাহান চিৰকাল নীৰৱ দৰ্শক হৈ থাকিব নে?" ●

# কবিতা

## নিশাৰ সপোন

এম, এ, ৰহমান
দ্বিতীয় বাৰ্ষিক স্নাতক

মানৱ জীৱন যেন
বিজুলীৰ ৰেখা হেন
আকাশত লুকোৱাৰ দৰে ;
বিচলিত কৰি থই
মায়াৰ হাঁহিটি লই
প্ৰকৃতিত লীন হই পৰে ।

অঘৰীৰ বেশ ধৰি
দেহাত্মা যাবহি উৰি
নেভাবে দেহা তাৰ আপোন ;
নিষ্ঠুৰ নিৰ্দ্দয় হই
যাব গুচি দূৰলই
যেনিবা ই নিশাৰ সপোন ।


দুদিনৰ মাথো দেহা
কিমতে কৰিম ৰেহা
বিচিত্ৰ মনত নাই শান্তি ;
মায়াময় জগতত
প্ৰেমময় জীৱনত
লভি আছোঁ অৱসাদ ক্লান্তি ।

বাসনা বিফল কৰি
প্ৰাণ-বায়ু লব কাঢ়ি
সোঁ বাজিছে প্ৰলয়ৰ বীণ ;
পাহৰি মায়াৰ মেলা
আপোন প্ৰেমৰ খেলা
নুখুজে মনে হব বিলীন ।
অকলেনো ক'ত যাম
ছায়া-মায়া ক'ত পাম
কিমতেবা পাতিম কানন ;
অচিনাকি মৰতত
কোনে চাব বিপদত
কোনে হব নিচেই আপোন ।
কাৰেনো পাতিম কথা
জনাই মনৰ ৰেথা
জীৱনৰ পৰিলত ওৰ ;
কোনে গাব ক্ষণে প্ৰতি
গীত ভৰা প্ৰেম-প্ৰীতি
কোনে দিব সুললিত সুৰ । ●



College, Kalgachia
Estd. 1974
(Assam)

## সম্পাদনা সমিতি— ১৯৭৮-৭৯ চন ।



বহিথকা— (বাওঁফালৰ পৰা) : খন্দকাৰ আব্দুল গফুৰ, ওমৰ আলী আহমেদ, অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ (সভাপতি), শ্ৰীভগীৰথ নাথ ।
থিয় হৈ থকা— (বাওঁফালৰ পৰা) : আব্দুছ ছামাদ, মোঃ আজাহাৰ আলী, মোঃ ৰফিকুল ইচলাম (আলোচনী সম্পাদক) ।

# কীট্‌ছৰ জীৱন আলেখ্যলৈ এভুমুকি

মহঃ আজাহাৰ আলী
দ্বিতীয় বাৰ্ষিক স্নাতক মহলা
( কলা শাখা )

মহাশূন্যৰ চুকে-কোণে সৌন্দৰ্য্য বিচাৰি নেপাই কবি কীটছ যেন মাটিৰ পৃথিবীখন তন্ন-তন্ন কৰি বিচাৰি চোৱাৰ বাবেই ১৭৯৫ চনত ইংল্যাণ্ডৰ এক অখ্যাত চুকত এজন সাধাৰণ ঘোঁৰাৰখীয়াৰ ঔৰসত জনম লভিলে। এইজনা কবিয়ে জীৱনৰ পাতনিত মানব সেৱাৰ উদাৰ লক্ষ্য লৈ যদিও ডাক্তৰ হবলৈ ওলাইছিল ; কিন্তু জীৱন পথত কাইটৰ আঁচোৰ খাই সেই সপোন দিঠকত পৰিণত কৰিব নোৱাৰিলে। মানুহৰ শাৰীৰিক ৰোগ দূৰ কৰিব নোৱাৰিলে সঁচা ; কিন্তু মানুহে অনাদি কালৰে পৰা ভুগি অহা দূৰাৰোগ্য মানসিক অশান্তি উপশমক মহামন্ত্ৰ থৈ গ'ল তেওঁৰ চমু জীৱনৰ একো একো অধ্যায়ত সংযোজনা কৰা খণ্ড খণ্ড কবিতাৰ মাজত। কীটছৰ অপূৰ্ব্ব অবদানেৰেই হয়তো ইংৰাজী সাহিত্য সৌন্দৰ্য্যৰ গহনা লৈ জকমকাই উঠিল। বিশ্ববাসীলৈ কবিৰ মহান অবদানৰ মুলত হয়তো বৈ আছে তেওঁৰ দুখ ভাগৰে ভৰা ৰোমাণ্টিক জীৱনটো।

সাধাৰণ শিশুৰ দৰে কীটছেও জনম ভূমিৰ বায়ু পানীৰ সমন্বয়ত ডাঙৰ দীঘল হবলৈ ধৰিলে। পিতৃহীন কীটছে সাধাৰণ শিক্ষা-দীক্ষা লৈ চেপমেনৰ অনুবাদ ইলিয়ড মহাকাব্যখন পঢ়ি গ্ৰীক সাহিত্যৰ সোৱাদ লয় ; আৰু জীৱনৰ ৰাজ আলিয়েদি এখোজ দুখোজকৈ আগবাঢ়ি গৈ যৌবনৰ দুৱাৰ-ডলিত যেন বৈ থাকিল কোনোবা অচিন দেবীৰ বাবে। আন ফালৰ পৰা ৰূপ-যৌৱনৰ বিলাসিতা লৈ আগবাঢ়ি আহিল মিচ. ফেনী ব্ৰাউনী। দুয়োৰো দেখা দেখি হ'ল ; কীটছে হিয়া উজাৰি ভাল পালে। কিন্তু পৰিণাম······? পৰিণামত কবি জীৱনলৈ নামি আহিল শোকৰ বন্যা। সংসাৰৰ হাজাৰ হাজাৰ নাৰীৰ দৰে ফেনী ব্ৰাউনীয়েও অভিমান ত্যাগ কৰিব নোৱাৰিলে। কালৰ বুকুত

সেই অভিমানেই কবি জীৱনত অভিশাপৰ ৰূপ ললে আৰু আমি দেখা পালো আশীৰ্বাদ ৰূপে। কাৰণ ফেণী ব্ৰাউনীৰ বিচ্ছেদৰ বেদনাই কবি হৃদয়ত যি তীব্ৰ যন্ত্ৰণাৰ সৃষ্টি কৰিছিল তাৰ উপশম কৰিবলৈ গৈয়েই হয়তো কবিয়ে সৌন্দৰ্য্যৰ ৰহঘৰাত মুখ দি কবিতাৰ স্বপ্ন ফেনীল ইন্দ্ৰজাল গুঠি দিছিল।

প্ৰাণৰ প্ৰতিমাই অপৰাধ কৰিলে হয়তো প্ৰেম বিচ্ছেদ হব পাৰে; কিন্তু স্মৃতি কোনো দিনেই হেৰাই নেযায়। কীটছৰো সেয়ে হ'ল। কবিয়ে ফেণী ব্ৰাউনীৰ দেহজ ৰূপত আত্মহাৰা হৈ তাইৰ হেজাৰ প্ৰত্যাখ্যান আওকাণ কৰিও তাইক পোৱাৰ বাবে ব্যাকুল হৈ পৰিছিল। অৱশেষত তাইৰ কপট মনৰ ভাব বুজিব পাৰিয়েই যদিও কৈছিল— "She is a silly fashionable minx" তথাপি তেওঁৰ মানস পটৰ পৰা ভেনাচৰ প্ৰতিমূৰ্ত্তি স্বৰূপা ফেণী ব্ৰাউনীৰ ছবি কোনো কালেই মচি দিব পৰা নাছিল। ফেণী ব্ৰাউনীৰ ভাল পোৱাই কবি জীৱনৰ পূঞ্জীভূত ব্যৰ্থতা স্বৰূপে ক্ষণে ক্ষণে বেদনাৰ প্ৰলেপ সানি দিছিল আৰু সেই পৰশত লেৰেলি যোৱা জীৱনটোক ঠন ধৰাই তুলিবলৈ গৈ ব্যৰ্থ কবিয়ে কল্পনাৰ আশ্ৰয় লৈছে। সেয়েহে তেজ-মঙহৰ আস্বাদন নথকা নিৰ্জ্জীব শিলামূৰ্ত্তিৰ বুকুত হেৰুৱা প্ৰেমক সজীৱ কৰি তুলিবলৈ গৈ সংযোজনা কৰিলে "Ode on a Grecian urn" বোলা কবিতাটিৰ। ইয়াতেই তেওঁ উপলব্ধি কৰিব পাৰিলে "Beauty is Truth, Truth is Beauty". এই কবিতাটিৰ মাজেৰে কবিয়ে নোপোৱাৰ বেদনা পাহৰিবৰ প্ৰয়াসেৰে অবুজ মনক বুজ দিয়াৰ পৰিপ্ৰেক্ষিতত যেন কৈছে—

> Heard melodies are sweet, but
> Those unheard are sweeter.

জীৱনৰ আগছোৱাত যদিও কবিয়ে কৈছিল-- "O for a life of sensation rather than of thought". কিন্তু এই ৰূপ, ৰস, গোন্ধ, স্পৰ্শ আদিৰ মাধ্যমেৰে সৌন্দৰ্য্যৰ আৰাধনা কৰাই আছিল তেওঁৰ জীৱনৰ চৰম লক্ষ্য। কীটছ প্ৰকৃততে আছিল সুন্দৰৰ কবি। সেয়ে হয়তো চন্দ্ৰ কুমাৰ আগৰৱালাৰ দৰে সুন্দৰৰ আৰাধনা জীৱনৰ খেল কৰি কবিতাৰ খট্‌খটিৰে সৰগৰ সুধা প্ৰেম ৰূপে নমাই আনি ধৰণীৰ ধূলিত বিলীন কৰি দিলে। কিন্তু এই সৌন্দৰ্য্য অতিন্দ্ৰীয় নে ইন্দ্ৰিয়গ্ৰাহ্য? কীটছৰ জীৱনময় আছিল ইন্দ্ৰিয়ানুভূতি। কিন্তু ইন্দ্ৰিয়ানুভূতিৰ মাজেৰে অতিন্দ্ৰীয়ৰ স্তৰলৈ তেওঁ ধাবিত হৈছিল। পাৰ্থিৱ সৌন্দৰ্য্য ক্ষণস্থায়ী। ইয়াত বিষাদৰ কৰুণ সুৰ সানমিহলি হৈ আছে। সেয়ে কীটছে কৈছে--- "She dwells in beauty, beauty that must die". কিন্তু আদৰ্শ সৌন্দৰ্য্য অম্লান, ই কোনো কালেই ম্লান হৈ নেযায়। তেনেকুৱা সৌন্দৰ্য্যৰ মাজত তেওঁ বিচাৰি পাইছে পূৰ্ণতা, বিচাৰি পাইছে শান্তি। সেয়েহে কৈছে— "A thing of beauty is joy forever".

কবি শ্বেলীক স্কাই-লাৰ্কে স্বপ্ন তন্ময় কৰি দিয়াৰ দৰে আমাৰ কবি কীটছক ভৰত পক্ষীয়ে কল্পনাৰ স্বপ্ন ৰাজ্যলৈ লৈ গৈছে। বাস্তৱ জীৱনত পোৱা ব্যথা বেদনাৰ নিৰ্মম পৰশত অথিৰ হোৱা কবিয়ে ভৰত পক্ষীৰ সুৱদি গীতত যেন তন্ময় হৈছে— পাহৰি গৈছে জীৱনৰ পূঞ্জীভূত ব্যৰ্থতা। সেয়েহে পাৰ্থিৱ জীৱনৰ বেদনাক্লিষ্ট অৱস্থাৰ পৰা হাত সাৰিবলৈ ভৰত পক্ষীৰ চিৰ লগৰী হোৱাৰ কামনা কৰিছে। গীতৰ মুৰ্চ্ছনাত কবি যেন নিস্তেজ হৈ পৰিছে আৰু আমেজ আমেজ ভাবেৰে কৈছে :

> My heart aches and drowsy
> numbness pains,
> My sense as though of Hemlock
> I had drunk.

ফেণী ব্ৰাউনীৰ বিচ্ছেদৰ যন্ত্ৰণাই কালৰ বুকুত যক্ষ্মাৰ বীজাণু হৈ কবিক কুটি-কুটি খাই শেষ কৰিলে। নিশ্চিত মৰণৰ হাত সাৰিবলৈ কীটছে বন্ধু চেভাৰ্ণৰ সহায়ত ইটালীৰ চিকিৎসালয়ত আশ্ৰয় লয় আৰু তাত ফেণী ব্ৰাউনীক এৰি থকাৰ যন্ত্ৰণাই কবিৰ মানস পটত আঘাতৰ সৃষ্টি কৰিলে আৰু কলিজা ফাটি ৰঙা তেজ বিৰিঙি ওলাল। মৃত্যুৰ যন্ত্ৰণাই কবিৰ আগত আন্ধাৰৰ জাল তৰি দিলে। কবিয়ে মৰণ ফলকত লেখিবলৈ দিলে- "Here lies one whose name was writ in water".

কীটছৰ অপূৰ্ণ কবিতা Hyperion ত পৰিপক্ক মনৰ এটি ছবি আঁকি থৈ ছব্বিশ বছৰৰ অভিজ্ঞতাৰ পৰশত লিখা সৌন্দৰ্য্যৰ টুকুৰাটুকুৰ কবিতাৰ আঁৰে আঁৰে যৌৱনৰ উক্‌মুকনি আৰু প্ৰেমৰ এখন নতুন জগত সৃষ্টি কৰি কবিৰ অন্তৰাত্মাই পাৰ্থিৱ জড়া, ব্যাধি বাৰ্দ্ধক্যৰ পৰা মুক্ত হৈ অনন্তৰ লগত একীভূত হৈ গ'ল (১৮২১)। জগতৰ বুকুত থৈ গ'ল ব্যৰ্থ জীৱনৰ দীঘল হুমুনিয়াবোৰ জিলিকি জিলিকি থাকিল কবিতাৰ ছন্দে ছন্দে।

# ভাল পাওঁ মই

মিহু কদভানু চৌধুৰী
স্নাতক কলা, দ্বিতীয় বাৰ্ষিক

( ১ )

ভাল পাওঁ মই
পদুম কলিটি
বোকাত জনম পোৱা
পুৱতিৰ লগে লগে
বিয়পায় তাৰ ৰূপ
যেন এটি সৰগৰ তৰা।

( ২ )

ভাল পাওঁ মই
সেউজী ধাননি পথাৰ
সোণালী গুটিৰে ভৰা
মলয়াৰ সুৰে সুৰে
ইফালে সিফালে নাচে
যেন এটি মুকুতাৰ থোপা।

( ৩ )

ভাল পাওঁ মই
কলিয়া কুলিটি
গছে গছে ভ্ৰমি ফুৰা
কু-উকু-উ মাতেৰে
আগন্তুক বাতৰি দিয়ে
বসন্ত পালেহি ধৰা।

( ৪ )

ভাল পাওঁ মই
ঋতুৰাজ বসন্ত কালক
গছ, লতা, তৰুবোৰে
জীৰ্ণ শীৰ্ণ বেশ ধৰি
নতুন নৱ নৱ ৰূপ ধৰি
বসন্তক জনায় স্বাগত সম্ভাৰ।

( ৫ )

ভাল পাওঁ মই
ফেঁচাৰ উকলি ধ্বনি
গভীৰ নিশাৰ মাজে
নিউ-নিউ চিঞঁৰেৰে
উকলিয়াই ৰাতি
মোৰ মন পখিলী উৰা মাৰে কৰবালৈ কৰবালৈ।





# ছায়া মূৰ্ত্তি

প্ৰথমে যিদিনা দেখিছো তোমাৰ
হেঙুলীয়া বৰণৰ মুখখনি ;
মনতে ৰাখিছো থাপন কৰি
তোমাৰ চেহেৰা খনি।

ৰাতি এদিন নিবিড় সপোনত
দেখিলো তোমাক নয়নে ;
পাবৰ আশাত দৰ্শন সমুখত
ভাবিছো সদায় মনতে।

সাৰ পাই উঠি দেখিলো বিছনাত
ছায়া মূৰ্ত্তিৰ দৰ্শন ;
প্ৰেয়সী গুচি গ'ল জানো কৰবাত
যেন অচিনাকি দেশত।

মানৱ জীৱন এই সংসাৰত
ছায়া মূৰ্ত্তিৰ সদৃশ ;
লীন যাব কালৰ গ্ৰাসত
এই ক্ষন্তেকীয়া দেহ।

কৰ্মৰ পথত যোৱা আগুৱাই
জীৱন সাৰ্থক হ'ক ;
বিয়লি বেলাত নাহিবা হুনাই
জীৱন শিকলি ঠেক।

মোঃ নবিবৰ ৰহমান
বি-এ, প্ৰথম বাৰ্ষিক

# "সন্তৰণ"

তাজউদ্দিন আহমেদ
বি-এ, দ্বিতীয় বাৰ্ষিক

"মোৰ নাম প্ৰবীণ, ডাক্তৰ বাবু ! মোৰ ছোৱালীজনীৰ অসুখ ! বসন্ত ! বৰ বিপদজনক অৱস্থা। আপুনি দয়া কৰি এতিয়াই মোৰ লগত যাব লাগিব ডাক্তৰ বাবু !"

"তোমাৰ ঘৰ ইয়াৰ পৰা কিমান দূৰ ?"

ইয়াৰ পৰা ঠিক এক মাইল মান দক্ষিণ ফালে, ডাক্তৰ বাবু ! আপুনি যদি নেযায় তেন্তে নিশ্চয় ছোৱালীজনী, মৰিব !

"মটৰ যাবনে ?"

"নেযায়। চাইকেল যাব।"

"কিন্তু মোৰতো চাইকেল নাই ! ........ বাৰু, চোৱাচোন চাইকেল এখন যোগাৰ কৰিব পাৰা নেকি ?"

ডাক্তৰজন আকৌ প্ৰেচ ক্ৰিপচন লিখিবলৈ আৰম্ভ কৰিলে। ডাক্তৰৰ টেবুলৰ চাৰিওফালে ভিৰ জমোৱা প্ৰত্যেক জন ব্যক্তিকেই সুধি-পুছি প্ৰেচ ক্ৰিপচনৰ পিচত প্ৰেচ ক্ৰিপচন লিখিবলৈ ধৰিলে। মই কিছু পৰ বহি থাকিলোঁ। বহি বহিয়েই চিন্তা কৰিবলৈ ললোঁ। এইখিনিত কাৰ চাইকেল আছে ? মোৰ জনা কোনো মানুহৰ চাইকেল আছে নেকি ? কাৰোবাৰ থাকিলেও আমাকতো নিদিয়ে। খুব সৌভাগ্যশালী মজদুৰকহে দুই এজন মানুহে চিনে ! কিন্তু মোৰ অৱস্থা অতিপাত শোচনীয় হেতু পৰিচিতসকলো অপৰিচয়ৰ এন্ধাৰত পলাল। গতিকে চাইকেল যোগোৱা মোৰ বাবে অনিমাৰ চিকিৎসাৰ দৰেই টান !

"অ ৰবীন তই ? তোৰ কি হ'ল ?" ডাক্তৰে দামী লংপেণ্ট, মূল্যৱান হাৱাই চাৰ্ট পিন্ধি বহুতো অসুখী ৰুগীয়া নিৰোগী জনতাৰ ভিৰ ঠেলি সোমাই অহা চফল ডেকা ৰবীনলৈ চাই কলে।

"মোৰ একো হোৱা নাই চাৰ ! আমাৰ প্ৰিন্সিপালৰ ভৰিত ফোঁহা উঠিছে ! খোজ কাঢ়িব নোৱাৰে। আপোনাক যাব কৈছে।"

ডাক্তৰ বাবুৱে একো কবলৈ নাপালে। ৰবীন আঁতৰি গ'ল।

বেঞ্চৰ ফালে লক্ষ্য কৰি দেখিলে যে বেঞ্চখনৰ একাষে মই কোঁচ-মোচ খাই বহি আছোঁ ! গভীৰ মাতেৰে ক'লে, "তুমি যোৱা নাই ?"

"নাই যোৱা ডাক্তৰ বাবু !" মই ঠাইতে থিয় হলো। দুয়ো হাতযোৰ কৰি কলো, "মই অতি দুখীয়া ! মোক কোনেও চাইকেল নিদিয়ে— ডাক্তৰ বাবু !"

ডাক্তৰে কলম ডাল থৈ দিলে। বহাৰ পৰা উঠিল। বহুতো জন-সাধাৰণৰ অনুৰোধ উপেক্ষা কৰি কলে— "ৰব, মই এতিয়াই আহিছোঁ।"

সকলোৱে নীৰৱে বহি ৰ'ল। ডাক্তৰ উঠি গ'ল বাহিৰলৈ। মই পিচে পিচে ওলাই পৰিলোঁ। ডাক্তৰে কমপাউণ্ডাৰৰ ওচৰলৈ গ'ল। কমপাউণ্ডাৰৰ চাইকেলখন ললে। মোৰ মন আনন্দত নাচি উঠিল। যোৱা বাৰৰ দৰে নিশ্চয় নহব !

যোৱাবাৰ ৰূপজ্যোতি বোপাটিৰ চিকিৎসা কৰিব নোৱাৰাৰ একমাত্ৰ কাৰণ আমাৰ ইখন ডাক্তৰখানাত ডাক্তৰ নাছিল। ভাল প্ৰাইভেট ডাক্তৰো আমাৰ গাৱঁত পাবলৈ নাই। ফাং-ফুং কৰিৰাজী কৰা দুই এজনৰ পৰামৰ্শ অৱশ্যে লোৱা হৈছিল। সিহঁতৰ সকলো চেষ্টা ব্যৰ্থ কৰি ৰূপজ্যোতি বোপাটি পৰ পাৰলৈ ঢাপলি মেলিলে .... ।

সেইয়ে কৈছোঁ— ৰূপজ্যোতি বোপাটিৰ দৰে এইবাৰ মোৰ অনিমা আইটি আমাক ফাকি দি গুচি যাব নোৱাৰিব ! তাই ভাল হৈ উঠিব। সহৃদয় ডাক্তৰ যিহেতু আহি পাইছে তেতিয়া হলে আমাৰ অঞ্চলৰ মানুহৰ অভাৱ কিছু পৰিমাণে হলেওঁ কমিব।

"তুমি প্ৰেচক্ৰিপচন লিখাগৈ কমপাউণ্ডাৰ ! মই অলপ প্ৰিন্সিপালৰ ঘৰৰ পৰা আহোঁ।" ডাক্তৰজনে চাইকেলৰ পেডেলৰ ওপৰত ভৰি তুলি দি কলে।

"মোৰ অস্বস্থি অনুভৱ হ'ল। নিৰুপায়, নিৰুপায় যেন বোধ হ'ল মোৰ। বসন্ত ৰোগত আক্ৰান্ত হৈ, নৰিয়া পাটীত পৰি মৰণ যন্ত্ৰণাত চট্‌ফটাই থকা একমাত্ৰ সন্তান অনিমাৰ অসহায় চেহেৰাটো মোৰ চকুৰ আগত ভাহি উঠিল। মই অনুৰোধ কৰিবলৈ বাধ্য হলো।" ডাক্তৰ বাবু ! ........

"তুমি গৈ থকাচোন, মই আহিছোঁ। ডাক্তৰজন গ'ল।

মইয়ো ঘৰলৈ বাট ললো।

ডাক্তৰজন নিশ্চয় আহিব। বৰ ভাল মানুহ তেওঁ। পৰোপকাৰৰ ব্ৰত লোৱা ডাক্তৰজনৰ হাস্য মধুৰ মূৰ্তিটো মোৰ চকুৰ আগত ভাহি উঠি মোক সাহস দিছিল। মোৰ অনিমা ভাল হব। ওচৰৰ শেৱালী মালতী কৰবীহঁতৰ লগত স্কুললৈ যাব, খেলিব, আমাক আনন্দ দিব।

"পানী গৰম দিয়া, অনিমাৰ মাক, ডাক্তৰজন এতিয়াই আহি পাব।" তাই আখলত সোমালে। মই বহিলো অনিমাৰ ওচৰত। মূৰত হাত বোলাই শান্তনা দিবলৈ চেষ্টা কৰিলোঁ— "আমাৰ মা ! ভাল হৈ উঠিব। ডাক্তৰ আহিছে।"

অনিমাৰ অৱস্থা কালিতকৈয়ো আজি বহুত বেয়া হৈ পৰিছে।

"ডাক্তৰজন দেখোন এতিয়ালৈকেও নাহিল ?" অনিমাৰ মাকে আখলৰ পৰা কৈ কৈ সোমাই আহিল।

"এৰাতো, মই অহাৰ ভালেমান সময় পাৰ হৈ গ'ল ! অনিমাৰ চট্‌ফটনী দেখি মই দুৰ্ভাৱনাত পৰিলোঁ।

"মা— ! পানী ।" কেকাই কেকাই কলে অনিমাই।

"এয়া লোৱা পানী", মাকে অনিমাৰ মুখখন দাঙি ধৰি অলপ চিনিৰ পানী দিলে। অনিমাই দুঢোকমান গিলি অসহায় ভাৱে শুই পৰিল। যন্ত্ৰণাত তাইৰ চকুৰে পানী ওলাই আহিল। কেকালে, মা-দেউতা।........

"নেকান্দিবা আই", মই শান্তনা দিবলৈ চেষ্টা কৰিলোঁ। ছিঃ কান্দিব নেপায়। ডাক্তৰ এতিয়াই আহি পাব। তুমিও ভাল হৈ উঠিবা।" মই কাপোৰ এটুকুৰাৰে চকুলো মচি দিলোঁ।

অনিমাৰ শৰীৰটো বেয়াকৈ ফুলিছে। ঠাইয়ে ঠাইয়ে ছাল ফাটিব লৈছে আৰু মাংস পেষীও অলপ অলপ খহি পৰিছে। মাখিৰ উৎপাত। শৰীৰৰ কোনোবা ঠাইত সৰু সৰু পোক দুই এটা যেন লক্ষ্য কৰা যায়। ইস্ কি দুঃখ। কি যন্ত্ৰণা, এই অনিমা জনীৰ। কৈ হুমুনিয়াহ কাঢ়িলে।

আই, তুমি মোৰ ওচৰলৈ আহা। "মই নিশ্চয় নেবাচোঁ দেউতা ! .... .... তোমালোকে মোৰ চিকিৎসা কৰিব নোৱাৰা।" অনিমাই উচুপি উচুপি কলে।

মই অস্বস্থি অনুভৱ কৰিলোঁ। ৰহি থকাৰ ধৈৰ্য্যকণ মোৰ নোহোৱা হ'ল। উঠি আহি বাটৰ ফালে ভুমুকিয়াই চালোঁ। ডাক্তৰ নাই। "এতিয়ালৈকে ডাক্তৰজন আহিব নোৱাৰাৰ কাৰণ কি ? ডাক্তৰজনৰ কিবা দুৰ্ঘটনা হোৱা নাইতো ? ....অনিমাৰ মাক, মই আকৌ এবাৰ যামেই নেকি।" মই অধৈৰ্য্য হৈ কলোঁ।

"মইয়ো তাকেই ভাৱিছো ; তুমি যোৱাগৈ ডাক্তৰৰ ওচৰলৈ !" অনিমাৰ মাকে কলে।

মই অৱশ্যে নগলো, আৰু অলপ সময় অপেক্ষা কৰিলোঁ। কিন্তু ডাক্তৰ নাহিল। সাজ লাগিল। সাজ ভাগিল। এন্ধাৰ হ'ল। কৃষ্ণ চতুৰ্থীৰ এন্ধাৰে জগতখন ছানি পেলালে ! ........ কিন্তু ডাক্তৰ নানিলে হব জানো ? অনিমাক চিকিৎসা নকৰিলে হবনে ? আমাৰ একমাত্ৰ সন্তান, একমাত্ৰ ছোৱালী অনিমাক জানো এইদৰে মৰিবলৈ এৰি দিয়া উচিত ? নাই, নাই ! চিকিৎসা কৰিবলৈ আমি আপ্ৰাণ চেষ্টা কৰিব লাগিব। অহা-পুৰুষাৰ্থ কৰিব লাগিব। সকলো কৰাৰ বিনিময়ত হলেও এইক বচাই তুলিব লাগিব।

অনিমাৰ মাকে তেতিয়া নীৰৱে চকুলো মচিছিল। এজন বেজে পৰামৰ্শ দিয়া মতে মৰাপাটৰ শুকান পাত তিওৱা পানী অনিমাক খুৱাইছিল। শৰীৰৰ ঘাঁবোৰ কলৰ পাতেৰে মুচি দিছিল।

"এতিয়া আৰু ডাক্তৰ অহালৈ বাট চাই থাকি লাভ নাই, অনিমাৰ মাক, মই যাওঁ, ডাক্তৰৰ ওচৰলৈ গৈ হাতে ভৰিয়ে ধৰি হলেও তেওঁক লৈ আহিম।"

মই এন্ধাৰে মুন্ধাৰে বাট বুলিব ধৰিলো। মোৰ কাণত বাজি উঠিল অনিমাৰ মাকৰ কান্দোন। মই আৰু বেছি কোবা কোবিকৈ খোজ ললোঁ।

ডাক্তৰজন তেতিয়া তাৰ নিজ কোৱাৰ্টাৰত বন্ধু-বান্ধৱেৰেসৈতে তাচ্ খেলাত মত্ত। মই গৈ পোৱাৰ লগে লগে কলে কি লাগে ?

"আপুনি যাব খুজিও ন'গল। ডাক্তৰ বাবু ! মাইজনীৰ অৱস্থা বৰ বেয়া। অনুগ্ৰহ কৰি আপুনি এতিয়া যাব লাগিব।"

ডাক্তৰে মোৰ ফালে কেৰাহিকৈ অলপ পৰ চালে। চকুৰে-মুখে বিৰক্তি। অৱশ্যে বিৰক্তিৰ ভাৱ তেওঁৰ কথাত ফুটি নোলাল। "বাৰু, তুমি যোৱা, মই পুৱা যামগৈ।"

মই নিজক চম্ভালিব নোৱাৰিলোঁ। ডাক্তৰৰ ভৰিত দীঘল দি পৰিলোঁ। "ডাক্তৰ বাবু ! মোৰ মুখলৈ চাওঁক। মাইজনীয়ে মোৰ একমাত্ৰ সন্তান ! আপুনি এতিয়া নগ'লে মোৰ পোনাটি নিশ্চয় নেবাঁচে।

"নাই, নাই। ঘৰলৈ মানুহ আহিছে দেখা নাইনে ? এওঁলোকক এৰি থৈ মই যোৱাটো অসম্ভৱ। যোৱা, মই কালি নিশ্চয় যাম ! ডাক্তৰে খাটাংকৈ কলে।

মই নিৰাশ হৈ ঘৰলৈ ৰাওনা হলোঁ। গাৱঁখন নিজম-নিতাল। কতো সাৰ-শব্দ নাই।

আমাৰ ঘৰখনো নীৰৱ। কেৱল মাজে সময়ে অনিমাৰ অসহাস কেকনিৰ শব্দ। মাকৰ মৰম সনা সকৰুণ আৰ্ত্তনাদ।

গাৱঁৰ সকলোৱেই হয়তো শান্তিৰে টোপনীত লাল-কাল দিছে। শান্তিৰে টোপনী গৈছে— ডাক্তৰ বাবুই। আমাৰ চকুত কেৱল টোপনী নাই। টোপনী আহিবলৈ খুজিলেও যেন আমি তাক দূৰৈত ঠেলি ৰাখিছোঁ। কেৰাচিনৰ গেচটোক যেন গোটেই ৰাতিৰ উজাগৰী কাৰ্য্যটোৰ সাক্ষী কৰি আমি বহি আছোঁ। বিশ্ব নিয়ন্তাৰ নিয়ম মানি ৰাতিটো যেন গৈ আছে— গৈয়েই....... আছে।

অনিমাই বহু কথাই বলকিবলৈ ধৰিছে। "অ-আ-বু-বা।" আমি সান্তনা দিবলৈ গৈও যেন ব্যৰ্থ হৈছোঁ। "তাইৰ ওচৰত ব্যৰ্থ কোনো কথা নাই। যম দেৱতাক আঁতৰ কৰি ৰখাৰ চেষ্টাত যেন মই ব্যৰ্থ নহঁও।" অতঃ কষ্ট খাই উজাগৰী ৰাতি কটাইয়ো যদি অনিমাক বচাব পাৰো সিয়েই মংগল।

"ৰাতি পুৱাবলৈ আৰু কিমান বাকী ?" অনিমাৰ মাকে কলে।

বেচি সময় নাই। "ৰাতি পুৱালেই ডাক্তৰ আহিব" মই কলো।

এটি সময়ত কুকুৰাই ৰাও কাঢ়িলে। ৰাতি পুৱাৰ জাননী দিলে। ওচৰৰ মছজিদত আজানৰ সুৰৰ ধ্বনিত হ'ল। মন্দিৰতো পৃথিবীৰ মংগল কামনা কৰি ভকতজনে হৰি গুণ কীৰ্ত্তন কৰিলে।

অনিমাইও মুখৰ ভিতৰতে কিবা কিবিকৈ ভোৰ ভোৰাই কৈ গ'ল। এটি সময়ত 'দেউতা' 'মা' বুলি কৈ নীৰৱ হ'ল। ইয়াৰ অৰ্থ যেনে— তাইক চিকিৎসা কৰিব নোৱাৰা বাবে আমি দোষী ..... । ●

---

"সমাজৰ কুফল আঁতৰোৱাৰ একমাত্ৰ উপায় হ'ল— সমাজবাদী অৰ্থ ব্যৱস্থা প্ৰতিষ্ঠা কৰা। এই অৰ্থ ব্যৱস্থাত উৎপাদনৰ সামগ্ৰীৰ কতৃত্ব থাকিব সমাজৰ হাতত আৰু সমাজে সু-পৰিকল্পিত ভাৱে ইয়াক কামত খটুৱাব লাগিব।"

আলবাৰ্ট আইনষ্টাইন

[ কবিতা ]

# কবিতা সাঁথৰ

হেৰা সৰু ছোৱালীজনী !
মোৰ মুখখন
তোমাৰ সদৃশ— ঘূৰণীয়া,
কিন্তু
মোৰতো চকু নাই
আৰু
মই নেদেখোঁ ।
আৰু মোৰ হাত দুখন—
ব্যস্ত থাকে, কামত
গোটেই দিনটো
কেতিয়াবা
ঘণ্টা মিনিট কিমান গ'ল,
তোমাক জনাবলৈ মই কৈ দিওঁ ।
মনোৰম আকাশত,
ৰূপৰ ক্ৰাউন
মুদ্ৰাৰ নিচিনা ঘূৰণীয়া
এটা ৰূপালী ঘৰ আছে
দুই সপ্তাহ সময় লাগে
ঘৰটো সাজিবলৈ,
আৰু ঘৰটো
ভাঙি পেলোৱা হয়
দুই সপ্তাহত ।
ঘৰটোত
এজন অকলশৰীয়া মানুহ থাকে,
কিন্তু তেওঁৰ নাম কোনেও নাজানে
নাইবা
কবলৈও ভাল নাপায় ।

মোঃ মজিবৰ ৰহমান
প্ৰথম বাৰ্ষিক কলা



[ কবিতা ]

# ৰহস্য

হাছান আলী আহম্মেদ
বি-এ, প্ৰথম বাৰ্ষিক

কি যে বিতোপন ৰহস্যৰ সৃজন
মানৱৰ সাঁথৰ জীৱন ;
ইয়াতেই ফলিছে জীৱনৰ কত
শত শত মধুৰ সপোন ।
কত সপোনৰ তীব্ৰ পোৰণিত
জ্বলাই নিজৰ শান্ত মন
ভাবিছে শান্তিৰ শীতল কোলা, মৃত্যু,
কিম্বা হাবিৰ গহীন বন ।
হাঁহিছে নাচিছে সাজেৰে সাজি
বজাইছে বীণাত মধুৰ তান ;
ক্ষন্তেক পাছতেই টুকিছে চকুলো
হেৰাই জীৱনৰ আচল গান ।
এই দৰে যায় আগবাঢ়ি জীৱন,
পোৱাৰ আশা বুকুত লই
সুন্দৰৰ লগত মিলাম গৈ সুৰ
সিপুৰীৰ চিৰ নিবাসী হৈ ।

# মহাত্মা ইমাম গাজ্জালী

মোহাম্মদ ছোলায়মান খান, এম, এ
বিভাগীয় মুৰব্বী, আৰবী বিভাগ

ইছলাম জগতত যিসকল চিন্তাবিদ আৰু ধৰ্মতত্বজ্ঞ ব্যাক্তিয়ে ইছলামৰ দৰ্শণ সম্পৰ্কে বিশেষ সুনাম অৰ্জ্জন কৰিছে তেওঁলোকৰ ভিতৰত ইমাম গাজ্জালী অন্যতম।

তেওঁৰ আচল নাম আছিল আবু হামিদ মুহাম্মদ। সৰ্ব্ব সাধাৰণৰ ওচৰত তেওঁ আল গ্বাঙ্গালী বা গ্বাজালী নামেৰে পৰিচিত। তেওঁৰ দেউতাক উন সূতাৰ ব্যৱসায় কৰিছিল। উনৰ আৰবী শব্দ হৈছে 'গাজল।' এই গাজল সূতাৰ ব্যৱসায়ীক গাজ্জালী বোলা হয়। আৰু তেওঁৰ দেউতাৰ এই গাজ্জালী উপাধিৰ পৰা তেওঁৰ উপাধিও গাজ্জালী হৈছে। নাইবা তেওঁৰ ওপজা 'গাজালা' গাওঁৰ নামানুসৰী তেওঁৰ উপাধি গাজ্জালী হয়।

খুৰাছানৰ 'তুছ'ত ইমাম গাজ্জালীয়ে ১০৫৮ খৃঃত জন্ম গ্ৰহণ কৰে। তেওঁ সৰুৰে পৰাই সুবিজ্ঞ ধৰ্ম্মতত্বজ্ঞ সকলৰ সানিধ্য ভাল পাইছিল। তেওঁ জন্ম হোৱাৰ পিছত তেওঁৰ দেউতাই শিক্ষাৰ কাৰণে বিশেষ যত্ন লব পৰা নাই। গাজ্জালীয়ে তেওঁৰ দেউতাৰ এজন বন্ধুৰ ওচৰত শিক্ষা লাভ কৰিছিল। তেওঁৰ ওচৰত শিক্ষা লাভ কৰাৰ পিছত তেওঁ জৰ্জানলৈ গৈ ইমাম আবু নছ্ৰ্ ইছলামীৰ তত্বাবধানত শিক্ষা লাভ কৰে। ইয়াৰ পিছত তেওঁ নিশাপুৰলৈ গৈ শিক্ষা লাভ কৰি ইমান উন্নতি সাধন কৰিছিল যে সকলোৱে মুগ্ধ হৈ তেওঁক এজন বিজ্ঞ পণ্ডিত বুলি স্বীকাৰ কৰিছিল। এই নিশাপুৰতেই তেওঁ বিভিন্ন বিষয়ৰ ওপৰত বিশেষ বিশেষ বক্তৃতা দান কৰিছিল। ইয়াতেই বিখ্যাত ইমাম হাৰমাইনে তেওঁক প্ৰথমে নানা বিষয়ত উৎসাহিত কৰিছিল। ইয়াৰ পিছত ইমাম হাৰমাইনৰ মৃত্যু হোৱাত তেওঁ নিশাপুৰ এৰি মালিক শ্বাহৰ উজীৰ নিজামুল মূলকৰ ওচৰলৈ গৈ তেওঁৰ সানিধ্য লাভ কৰে। তেওঁৰ গুণত মুগ্ধ হৈ নিজামুল মুল্কে তেওঁক বাগ্দাদৰ নিজামীয়া কলেজৰ অধ্যাপকৰ পদত নিযুক্তি দিয়ে। এই কলেজত কেইবছৰমান অধ্যাপনা কৰাৰ পিছত তেওঁ এই পদ ত্যাগ কৰি "দৰবেশ"ৰ জীৱন যাপন কৰিবলৈ ললে। তাৰ পিছত তেওঁ সত্য আৰু আত্মাৰ শান্তিৰ উদ্দেশ্যে বহুতো ঠাই ভ্ৰমি ফুৰিছিল। আৰু এইদৰে ঘূৰি ফুৰি তেওঁ অৱশেষত হিজাজত গৈ পবিত্ৰ "হজ্জ" ক্ৰিয়া সম্পন্ন কৰি চিৰিয়ালৈ গৈ দামেস্ক চহৰত নিগাজীকৈ বসবাস কৰিবলৈ ধৰিলে। এই দামেস্ক চহৰতেই তেওঁ দৰ্শন সম্পৰ্কে কিছুমান কিতাপ লিখিবলৈ আৰম্ভ কৰিলে। এই কিতাপসমূহৰ ভিতৰত "ইহইয়াও আল-উলুম-আল-দিন" বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ পিছত তেওঁ ইয়াৰ পৰা আকৌ "তুছ" নগৰলৈ উভতি গৈ তাত তেওঁৰ পৰৱৰ্ত্তী জীৱন নিৰ্জ্জনভাৱে অতিবাহিত কৰিবলৈ মনস্থ কৰে। আৰু ইয়াতেই তেওঁ নামাজ পঢ়ি, ধৰ্ম প্ৰচাৰ কৰি আৰু গভীৰ ধ্যান কৰি কাল কটাইছিল। ইয়াৰ পিছত তেওঁ "তুছ" চহৰতেই ১১১১ খৃঃত মৃত্যু বৰণ কৰে।

ইমাম গাজ্জালীয়ে চাৰিশৰো অধিক কিতাপ লিখিছিল। এই বিলাকৰ কিছুমান অতি ডাঙৰ আৰু কিছুমান সৰু সৰু কিতাপ আছিল। তেওঁ লিখা কিতাপসমূহৰ ভিতৰত "ইহইয়াও আল-উলুম-আল-দীন", "কীমিয়া-ই-ছাদাত", "মানখুল মিনা-আল-জালাল" আৰু "তাহাফুতু আল-ফাল্ছিফাহ" নামৰ কিতাপ কেইখন দৰ্শন শাস্ত্ৰৰ প্ৰধান ভূমিকা লৈছে। তেওঁৰ "ইহইয়া" নামৰ কিতাপখনত ৰহস্যবাদ, ধৰ্ম্মতত্ব আৰু ছন্নীপন্থী মুছলমান সকলৰ মৌলিক নীতি কথাৰ সমালোচনা কৰা হৈছে। অধ্যাপক ব্ৰাউনৰ মতে তেওঁৰ এই "ইহইয়া"ৰ কিছুমান অনুচ্ছেদত কেনেকৈ তেওঁৰ যৌৱনৰ আৰম্ভণিৰ পৰা অসীম জ্ঞান তৃষ্ণা বাঢ়ি গৈ ধৰ্ম-দৰ্শনমূখী হৈছে, কেনেকৈ তেওঁ দাৰ্শনিক পণ্ডিতসকলৰ ধৰ্ম-বিশ্বাস সম্বন্ধে অদমিত প্ৰশ্নসমূহৰ সমিধান দিছে তাৰে কিছুমান আভাস দাঙি ধৰিছে।

ইমাম গাজ্জালীৰ লিখিত বিষয় বহু ধৰণৰ। দৰ্শন, তৰ্ক, (logic) মন্তেক, ত্ৰলমে-কালাম (আইনৰ মাজত হিতকৰ ঈমান জন্মাই দিবলৈ বচন বিদ্যা) ধৰ্মতত্ব, মনস্তত্ব, স্বভাৱ-বিজ্ঞান, চৰিত্ৰ গঠন, আধ্যাত্মিক ছুফী বিজ্ঞান ইত্যাদি বিষয়ৰ অৱলম্বনত বহুবিধ মূল্যবান গ্ৰন্থ ৰচনা কৰিছিল। এনেকি তেওঁ সত্য ধৰ্ম্মৰ নিৰপেক্ষ সমালোচনাৰ গ্ৰন্থও লিখিছিল। তওৰীৎ আৰু ইন্জীল (পুৰাতন আৰু নতুন বাইবেল) গ্ৰন্থ যি যি ঠাইত স্বাৰ্থপৰতাৰ হাতত পৰিবৰ্ত্তিত আৰু বিকৃত হৈছিল সেই বিলাক তেওঁ নিৰপেক্ষভাৱে আৰু দক্ষতাৰে প্ৰদৰ্শন কৰি এটি উৎকৃষ্ট গ্ৰন্থ লিখিছে। তেওঁ যিবিলাক গ্ৰন্থ লিখিছিল সেইবিলাকৰ মাজত ফেঁকা (ব্যৱহাৰ বা বিচাৰ শাস্ত্ৰ', ওছুল ফেঁকা (ব্যৱহাৰ শাস্ত্ৰৰ মৌলিক তথ্য), আধ্যাত্মিক বিজ্ঞান আৰু আখ্লাক্ (চৰিত্ৰ গঠন) আদি বিষয়ৰ গ্ৰন্থসমূহ মুছলমান জগতত বিশেষ ভক্তি আৰু আদৰেৰে সৈতে পঠিত হয়। এনেকি সেইবিলাক বিষয়ত তেওঁ যিমান গ্ৰন্থ লিখিছিল সেইবিলাকৰ বহু ভাষ্য, ব্যাখ্যা আৰু সংক্ষিপ্ত সাৰ, বহু জ্ঞানী পণ্ডিতৰ দ্বাৰাই পুনৰ লিখিত হৈছে। তেওঁৰ "ইহইয়াও-আল-উলুমৰ" বহু ভাষ্য আৰু সংক্ষিপ্ত সাৰ বাহিৰ হৈছে। এনেকি তেওঁৰ "ইহইয়াও"ৰ সংক্ষিপ্ত-সাৰ "কিমিয়া-ই-ছা'দ"ত নামৰ গ্ৰন্থৰ ভাষ্য আৰু সংক্ষিপ্ত-সাৰ বহুতো

পণ্ডিতে লিখিছে। অতি দুখৰ বিষয় এই যে ইমাম চাহাবে যিবিলাক গ্ৰন্থ নিজৰ বুদ্ধি খটাই বিচাৰ আৰু জ্ঞানৰ পূৰ্ণ দোৰ খুলি যুক্তিৰ ৰাজপথ মুকলি কৰি লিখিছিল, ইউৰোপত সেইবিলাকে যিমান সমাদৰ পাইছে ইছলাম জগতত সিমান সমাদৰ পোৱা নাই। "মানখোল" নামৰ গ্ৰন্থখন তেওঁ যৌৱনৰ অপৰিণত বুদ্ধিৰ সময়ত লিখিছিল। সেই "মানখোল"ৰ মাজত দৰ্শনৰ (philosophy) লগত শ্বৰীয়তৰ বা ধৰ্ম্ম নীতিৰ যুক্তিমূলক সামঞ্জস্য ইমান দক্ষতাৰে সৈতে দেখোৱা হৈছে যে ইউৰোপত পৰম সমাদৰে ৰক্ষিত হৈ নানা ভাষাত ভাষান্তৰিত হৈছে।

তেওঁৰ "মাকাছেদ্‌-আল-ফাল্‌ছাফা" (দৰ্শনৰ উদ্দেশ্যে) নামৰ যিখন গ্ৰন্থত অকাট্য যুক্তিসহ প্ৰাচীন গ্ৰীক্ ফিল'ছফীৰ ত্ৰুটি সংশোধন কৰা হৈছে সেইখন ইছলাম জগতত সিমান আদৃত হোৱা নাই যদিও ইউৰোপত সমাদৰ পাইছে। এইখন গ্ৰন্থ হিব্ৰু (ইব্ৰাণী) ভাষাত অনুবাদিত আৰু লগতে ফ্ৰান্সৰ জাতীয় পুস্তকালয়ত সযত্নে সংৰক্ষিত হৈছে। ইয়াৰো-পৰিও ল্যাটীন ভাষাত অনুবাদিত হৈ ভেনিচ চহৰত মুদ্ৰিত হৈছে।

তেওঁৰ "মোনকেজ-মিন-আল-জালাল" (অজ্ঞতা বহিষ্কৰণ) নামৰ অইন এখন গ্ৰন্থত ধৰ্ম্ম মতৰ ক্ৰমশঃ উন্নতি পৰিবৰ্ত্তনসমূহ প্ৰাকৃতিক নিয়মৰ লগত মিলাই দেখুৱা হৈছে। এইখন গ্ৰন্থ মুছলমান জগতত সমাদৰ নেপালেও ইউৰোপত সমাদৰ পাইছে আৰু ইউৰোপীয় পণ্ডিতমণ্ডলীয়ে ইয়াৰ পৰা সত্তাৰ আৰু চিন্তাৰ পথ প্ৰাপ্ত হৈছে।

"তাহাফোত্তোল ফালছাফা" (দৰ্শনৰ ভ্ৰম খণ্ডন) নামৰ গ্ৰন্থত গ্ৰীক্ ফিল'ছফীৰ কিছুমান প্ৰতিপাদ্য বিষয়ৰ ভ্ৰান্তি অকাট্য যুক্তিসহ দেখোৱা হৈছে। এইখন গ্ৰন্থ হিব্ৰু ভাষাত অনুবাদিত হৈছে আৰু ফ্ৰান্সৰ ৰাজকীয় পুস্তকালয়ত সংৰক্ষিত হৈছে। তেওঁৰ আন এখন গ্ৰন্থ "নিজামোল্‌ আ'লম" ইউৰোপৰ হিব্ৰু আৰু বিভিন্ন ভাষাত অনুবাদিত হৈছে।

তেওঁৰ "ইহইয়াও আল উলুম" নামৰ গ্ৰন্থখন ইছলাম জগত আৰু ইউৰোপত সমান ভাৱে সমাদৰ পাইছে। এই খনৰ সংক্ষিপ্ত সাৰ "কিমিয়া ই-ছা'দাত" ইউৰোপৰ নানা ভাষাত অনুবাদিত হৈছে। মিঃ হিথ্‌জিমে এইখনৰ কঠিন কঠিন অংশৰ ভাষ্য ৰচনা কৰিছে। মূল 'কিমিয়া" নিত্যান্ত শুদ্ধভাৱে "ব'ৰ্‌ন্‌" নগৰত মুদ্ৰিত হৈছে। এই "ইহইয়াৰ" বিষয়ে মোহাদ্দেছ জয়ন ইৰাকীয়ে কৈছে— "ইহইয়াও আল উলুম" ইছলাম জগতত এটা সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ।" আব্দুল গাফাৰ ফাৰছীয়ে কৈছে— 'ইহইয়াও-আল উলুমৰ" আগত এনে-কুৱা গ্ৰন্থ জগতত আৰু লিখিত হোৱা নাই।" ইমাম নাওদীয়ে কৈছে— "ইহাইয়াও-আল-উলুম" কোৰানৰ নিকটবৰ্ত্তী।" শেখ্‌ আবু মুহাম্মদ কাজৰুণীয়ে কৈছে— "জগতৰ সকলো জ্ঞান নিৰ্ব্বাপিত কৰি দিলেও মই কেৱল 'ইহইয়াও-আল-উলুমৰ' সহায়ত পুনৰায় আটাই-কেই জীৱিত কৰি লব পাৰিম।"

নিজামিয়া মাদ্ৰাছাৰ অধ্যাপক নিযুক্ত হোৱাৰ পিছত তেওঁ নানা মতাৱলম্বী বিদ্বান মানুহৰ লগত মিলিত হোৱাৰ ফলত তেওঁৰ "মাজহাবী" বিশ্বাস কিছুপৰিমাণে পৰিৱৰ্ত্তিত হৈছিল। সকলোৰে পৰাই প্ৰত্যেক বিষয় পৰীক্ষা কৰি চাবলৈ আৰু সম্যকভাৱে বুজিবলৈ তেওঁৰ বৰ হেপাহ আছিল। প্ৰত্যেক সম্প্ৰদায়ৰ স্বাধীনতাৰ ৰাজ্যত বিৰাজ কৰাৰ ফলত তেওঁৰ "তক্‌লীদৰ" (অণুৱৰ্ত্তনৰ) বান্ধ ভাঙি গৈছিল। তাৰ ফলত তেওঁৰ নিৰপেক্ষ ভাৱে সকলো বিষয় সুক্ষ্মভাৱে বিচাৰ কৰিছিল। ইয়াৰ ফলত তেওঁ প্ৰকৃত 'সত্য'ক উদ্ভাৱন কৰিব পাৰিছিল। তেওঁ ভাবিছিল যে যি "সত্য" তাৰ মাজত সন্দেহৰ লেখ্‌ মাত্ৰও থাকিব নোৱাৰে। এইটো প্ৰতিপাদ্য কৰিবলৈ গৈ তেওঁ কৈছিল যে "দুই" সংখ্যা এক অপেক্ষা অধিক। ইয়াক সকলোৱেই বুজিব পাৰে। কিন্তু কোনো মানুহে যদি কয় যে তেওঁ নিজৰ হাতৰ লাঠীক সাপ কৰিব পাৰে, তেন্তে সেইটো হব এটা অসাধাৰণ ক্ষমতা। কিন্তু সেইবুলি 'এক'ক অপেক্ষা যদি কোনো-বাই 'দুই' অপেক্ষা অধিক বুলি কয় তেন্তে তাক তেওঁ তৎক্ষণাত মানি লবলৈ টান পাইছিল। এইবিলাক কাৰণত তেওঁ স্বতঃসিদ্ধ ধৰণৰ ধ্ৰুৱ সত্যৰ জ্ঞান আহৰণত প্ৰবৃত্ত হৈ 'স্বতঃসিদ্ধ জ্ঞান' আৰু 'ইন্দ্ৰিয়লব্ধ জ্ঞান' ব্যাতীত অইন কোনো প্ৰকাৰৰ জ্ঞান তেওঁৰ মনত নাই বুলি প্ৰমাণ কৰিব পাৰিলে। অনেক যত্ন সহকাৰে পৰ্য্যবেক্ষণ কৰি তেওঁ বুজিব পাৰিছিল যে "ইন্দ্ৰিয়লব্ধ জ্ঞান"ৰ মাজতো ভুল থাকিব পাৰে। এইবিলাক সন্দেহ গুচাবলৈ কিছুমান জ্ঞানী মানুহৰ লগত মিলিত হৈ তেওঁলোকৰ জ্ঞান আৰু বিশ্বাস পৰীক্ষা কৰিছিল। তেওঁৰ সময়ত থকা জ্ঞানী মানুহৰ সম্প্ৰদায় আছিল চাৰি শ্ৰেণীৰ যেনে— (১) যুক্তি প্ৰয়োগত ধৰ্মমত সাব্যস্থকাৰী উপ-দেশক, (২) যোগবলত বা অভ্যাসক্ৰমে শক্তি বৃদ্ধিকাৰী সন্ন্যাসী বৃন্দ, (৩) দাৰ্শনিক পণ্ডিত আৰু (৪) ছুফী সম্প্ৰদায় তেওঁ এই সম্প্ৰদায়ৰ জ্ঞানী মানুহৰ লগত মিলিত হৈ তেওঁলোকৰ জ্ঞান আৰু ধৰ্মবিশ্বাস পৰীক্ষা কৰি বুজিব পাৰিলে যে এটা সম্প্ৰদায়ে যাক 'সত্য' বুলি কয় অইন সম্প্ৰদায়ে তাক 'সত্য' বুলি নকয়। সত্য সম্পৰ্কে এই বিলাক অসামঞ্জস্য দূৰীকৰণৰ উদ্দেশ্যে বহু চিন্তা, পৰীক্ষা-নীৰিক্ষা আৰু পৰ্য্যবেক্ষণ কৰি এই মতত আহিল যে "স্বতঃসিদ্ধিজ্ঞান" ব্যাতিত অইন কোনো প্ৰকাৰৰ জ্ঞান 'সত্য' হব নোৱাৰে। "আপ্তবাক্য" বা সন্মতিক্ৰমে স্বীকৃত কথা এনেকি কোৰাণ হাদীছৰ স্পষ্ট বাণীও "সত্য" বুলি মানি লবলৈ তেওঁলোকে 'ৰাজী' নহয়। যিসকলে অভ্যাস আৰু সাধন্যৰ দ্বাৰাই নিজৰ শক্তি বৃদ্ধি কৰি লয়, তেওঁ-লোকেও তৎকাল-মান্য-বিশ্বস্ত গুৰুলোকৰ "আপ্ত বাক্য" বিশ্বাস কৰি সেই অনুপাতে সাধনা কৰিবলৈ প্ৰবৃত্ত হয়। "স্বতঃসিদ্ধ জ্ঞান" যিমান সত্য আৰু অভ্ৰান্ত, গুৰুৰ 'আপ্তবাক্য' সিমান অভ্ৰান্ত নহয়। ইমাম গাজ্জালীৰ মতে "ফিল'ছফী" বা দৰ্শনৰ যি অংশত প্ৰাকৃ-তিক বা নৈসৰ্গিক বিষয়ৰ আলোচনা কৰা হয় তাৰ লগত সাম্প্ৰদায়িক ধৰ্মমতৰ কোনো সংশ্ৰৱ নাই। আৰু যি অংশ ধৰ্মৰ লগত সংশ্ৰৱ ৰাখে সেইটোও "স্বতঃসিদ্ধ" জ্ঞানৰ নিচিনা ধ্ৰুৱ সত্য নহয়।

তেওঁ বিভিন্ন সম্প্ৰসায়ৰ মাজত 'সত্য' সম্পৰ্কে বহুতো অসামঞ্জস্য দেখি অৱশেষত ছুফীসকলৰ জ্ঞান-পন্থাৰ অনুসন্ধানত প্ৰবৃত্ত হয়। ইয়াৰ পিছত তেওঁ মহাত্মা জোনয়েদ, শিৱলী

বায়েজীদবস্তামী প্ৰভৃতি সিদ্ধ পুৰুষসকলৰ উক্তি আৰু আবু তালেব মককীৰ লিখিত গ্ৰন্থাদি পাঠ কৰি বুজিব পাৰিলে যে কেৱল জ্ঞানৰ দ্বাৰাই এই পন্থাৰ কোনো ফল নহয়, বৰং বিশুদ্ধ জ্ঞানৰ লগত সৎ কৰ্ম্মৰ অনুষ্ঠান আদিৰ বিশেষ প্ৰয়োজন। মানুহে মানুহোচিত গুণ-গ্ৰাম আৰু প্ৰভাৱৰ উন্নতি সাধন কৰাও নিত্যান্ত আৱশ্যক। প্ৰত্যেক কৰ্মানুষ্ঠান প্ৰবৃত্তিৰ বশৱৰ্ত্তী হৈ প্ৰবৃত্তিৰ আদেশ মানি সম্পাদন কৰিলে বাস্তৱিক পক্ষে আল্লাহৰ আদেশ সাপেক্ষে বিশুদ্ধভাৱে আল্লাহৰ কাৰণে কোনো প্ৰকাৰৰ কাৰ্য্যই সমাধা হব নোৱাৰে। এই কাম কেৱল প্ৰবৃত্তিৰ ফুচলনিতহে হয়। আল্লাহৰ কাৰণে সকলো কাম কৰিব খুজিলে আৰু আল্লাহৰ কাৰণে জীৱন যাপন কৰিব খুজিলে সংসাৰত থাকি সংসাৰ-বিৰাগী হোৱা অত্যাৱশ্যক।

ইমাম গাজ্জালীয়ে মুছলমানত্ব লাভৰ কাৰণে যিবিলাক জ্ঞানৰ প্ৰয়োজন সেইবিলাকৰ বিৱৰণ তেওঁৰ কিছুমান গ্ৰন্থত অতি সুন্দৰকৈ আলোচনা কৰিছে। তেওঁৰ মতে এই জ্ঞান চাৰি প্ৰকাৰৰ। এইবিলাক হৈছে— (১) আত্মদৰ্শন— নিজৰ পৰিচয় বা আধ্যাত্মিক জ্ঞান, (২) তত্ব দৰ্শন— আল্লাহৰ পৰিচয় বা পৰমেশ্বৰৰ জ্ঞান, (৩) সংসাৰ দৰ্শন— দুনীয়া বা ইহ কালৰ পৰিচয় সংসাৰ জ্ঞান আৰু (৪) পৰকাল দৰ্শন— আখেৰাত বা পৰকালৰ পৰিচয় পাৰলৌকিক জ্ঞান।

ছুফী মতবাদৰ ওপৰত ভিত্তি কৰি ইমাম গাজ্জালীয়ে তত্বদৰ্শন সম্পৰ্কে যিবিলাক গভীৰ সমালোচনা কৰিছে তাৰ এটি সংক্ষিপ্ত বিৱৰণ তলত দিয়া হ'ল।

অনন্ত প্ৰশংশা'ৰ পাত্ৰ পৰম করুণাময় আল্লাহৰ অৱস্থা হৈছে- একত্ব, প্ৰতাপ, মাহাত্ম্য, গৌৰৱ, প্ৰাধান্য, উচ্চতা হৈছে তেওঁৰ বিশেষ গুণ বা “ছেফত”। কোনেও তেওঁৰ প্ৰতাপ, মাহাত্ম্যৰ পূৰ্ণতা বিষয়ৰ জ্ঞান ৰাখিব নোৱাৰে। তেওঁ ব্যতিত তেওঁৰ “হকীকতে মাৰেফতৰ” প্ৰকৃত তত্ব কোনেও নেজানে। তেওঁৰ তত্ব সমুদ্ৰৰ তথ্য নিৰ্ণয় কৰিব নোৱাৰি অসামৰ্থ স্বীকাৰ কৰাই হৈছে “ছিদ্দীক” সকলৰ জ্ঞানৰ পৰিসীমা। তেওঁৰ মাহাত্ম্যৰ প্ৰথম বিন্দুচ্ছটা দৰ্শন কৰি পৰিশ্ৰান্ত হোৱাই বুদ্ধিমানসকলৰ বুদ্ধিৰ শেষ সীমা। তেওঁৰ সৌন্দৰ্য্যৰ আৰু গুণৰ নৈকট্য পোৱাৰ চেষ্টা কৰি পৰিক্লান্ত হোৱাই “ছালেক” (ধৰ্ম-পথিক) আৰু “মুৰীদ” (ধৰ্ম পথত গমনাভিলাষী) সকলৰ শেষ কাৰ্য্য যদিও তেওঁৰ মূলতত্ব লাভৰ আশা ত্যাগ কৰা উচিত নহয়। তেনে কৰিলে নিজৰ জীৱন ব্যৰ্থ হৈ যাব। তেওঁৰ বিচিত্ৰ কাৰিগৰী দৰ্শন কৰিলে স্বভাৱতেই বুদ্ধিমান সকলৰ মনত তত্বজ্ঞান উৎপন্ন হয়। সকলোৱে বুজা উচিত যে প্ৰত্যেক বস্তুৱেই তেওঁৰ ক্ষমতাৰ চিন— সকলোৱেই তেওঁৰ মহত্বৰ জ্যোতি— সকলো অলৌকিক আশ্চাৰ্য্য ঘটনা তেওঁৰেই হিকমত কৌশলৰ পৰা উৎপন্ন— সকলো সৌন্দৰ্য্যৰে জ্যোতি তেওঁৰ পৰাই নিসৃত। সকলো পদাৰ্থৰ অস্তিত্ব আল্লাহৰ অস্তিত্বৰ জ্যোতিৰ প্ৰতিবিম্ব। তেওঁৰ মতে— সৃষ্টিকৰ্ত্তা আল্লাহই মানুহক কেৱল খেল-ধেমালি আৰু নিৰৰ্থক কামৰ কাৰণে সৃজন কৰা নাই। এওঁলোকৰ কৰ্ত্তব্য-কাৰ্য্য বহু বিস্তৃত।



যদিও মানুহ অনাদি নহয় তথাপি এওঁলোকে অনন্ত কাললৈ থাকিব। যদিও এওঁলোকৰ শৰীৰ অতি তুচ্ছ পাৰ্থিব পদাৰ্থৰ দ্বাৰা গঠিত তথাপি এওঁলোকৰ আত্মা অতি উচ্চ আৰু প্ৰভুত্ব গুণ সম্পন্ন। যদিও এওঁলোকৰ আত্মা জন্মাৱধি ইতৰ প্ৰাণী, হিংস্ৰ জন্তু আৰু শয়তানৰ ভাৱ সমূহত জড়িত আৰু মলিনতাপূৰ্ণ, তথাপি “পৰিশ্ৰমৰ হাফৰত” গলালেই ইয়াৰ সকলো ময়লা বিদূৰিত হৈ ইহতে (আত্মা সমূহে) মহাপ্ৰভুৰ সান্নিধ্য লাভৰ যোগ্য হব পাৰে। “আছ্‌ফালাচ্ছাফেলীন” নামৰ নীচতাৰ গভীৰতম কূপৰ পৰা “আ'লা ইল্লিয়ীন” নামৰ পৰাৎপৰ পৰমোৎকৃষ্ট উচ্চাদপি উচ্চস্থান পৰ্য্যন্ত উত্থান মনুষ্যাত্মাৰ কাৰ্য্য সীমাৰ ভিতৰত। ইতৰ প্ৰাণী, হিংস্ৰ জন্তু আৰু শয়তানৰ জঘণ্যতম স্বভাৱ প্ৰাপ্ত হৈ কাম, ক্ৰোধ, লোভ আদিৰ ফান্দত পৰি যোৱাকেই মানুহৰ ভাগ্যত “আছফালাচ ছাফেলীন” নামৰ গভীৰ তম কূপত পতন হোৱা বোলে। ফেৰেস্তা সকলৰ উৎকৃষ্ট গুণ লাভ কৰি তেওঁলোকৰ সমকক্ষতা প্ৰাপ্ত হোৱাকেই মানুহৰ পক্ষে “আ'লা-ইল্লিন” নামৰ উচ্চাদপি উচ্চস্থান প্ৰাপ্তি বোলে। কাম, ক্ৰোধ, লোভ, মোহ ইত্যাদিৰ হাতৰ পৰা সম্পূৰ্ণ অব্যাহতি পাই এইবোৰক অধীনস্থ কৰি এইবোৰৰ ওচৰত নিজক “প্ৰভু” সাজিব পাৰিলেই যথাক্ৰমে ফেৰেস্তা সকলৰ উচ্চাদপি উচ্চ শ্ৰেণী লাভ কৰিব পাৰি। মানুহে যেতিয়া এই প্ৰকাৰৰ “প্ৰভু” হোৱাৰ সৌভাগ্য লাভ কৰিব পাৰে তেতিয়াই আল্লাহৰ “বন্দেগী” অৰ্থাৎ দাসত্বৰ উপযুক্ত হব পাৰে। এই উপযুক্ততা কেৱল ফেৰেস্তাসকল আৰু পূৰ্ণ মানুহেহে পাইছে। মানুহে যেতিয়া আল্লাহৰ সৌন্দৰ্য্য-প্ৰেমৰ একবিন্দু আস্বাদ গ্ৰহণত সমৰ্থ হয়, তেতিয়া সিহঁতে তাক আৰু বেছিকৈ পাবলৈ ব্যাকুল হৈ পৰে। তেওঁলোকে এটা মুহূৰ্ত্তও ধৈৰ্য্য ধাৰণ কৰিব নোৱাৰে। আল্লাহৰ সৌন্দৰ্য্য-দৰ্শন-লাভেই মানুহৰ ভাগ্যত উৎকৃষ্ট স্বৰ্গ। চকু, উদৰ, কাম প্ৰবৃত্তিৰ তৃপ্তিৰ কাৰণে যি স্বৰ্গৰ কথা শাস্ত্ৰমতে বৰ্ণিত হৈছে সেইটো এই পৰমোৎকৃষ্ট বেহেস্তৰ তুলনাত নিত্যান্ত তুচ্ছ আৰু হেয়। ●



# সুখৰ জীৱন

ইছলাম উদ্দিন আহমেদ
পি-ইউ, দ্বিতীয় বাৰ্ষিক

মিছাহে ছোৱালীজনী তোমাৰ এই সাজপাৰ ।
যদি হব নোৱাৰা তুমি জ্ঞানৰ অৱতাৰ ॥

ওলাই যোৱাই ভাল জ্ঞানী সমাজৰ পৰা আঁতৰি ।
যদি হোৱা তুমি বাহিৰে ৰংচং ভিতৰে কোৱা-ভাতুৰি ॥

ফটা ছিৰা পিন্ধি হব পাৰা জ্ঞানী ।
নিশ্চয় সুনাম ফুটিব তোমাৰ আপোনা-আপুনি ॥


নিজকে দুখীয়া বুলি কেতিয়াও নেভাবিবা ।
দুখীয়া যে চিৰদিনৰ বাবে নহয় নিশ্চয় জানিবা ।

নিয়মিত ভাৱে তুমি শ্ৰম কৰি যোৱা ।
এলাহক উটুৱাই তুমি শ্ৰমক আঁকোৱালি লোৱা ॥

এদিন দেখিবা তোমাৰ জীৱনত পাবা সুখ ॥ ●



## ছাত্ৰ একতা সভা আৰু কাৰ্য্যকৰী কমিটিৰ সদস্যসকল— ১৯৭৮-৮৯ চন ।



ৰহিথকা— (বাওঁফালৰ পৰা) ঃ খন্দকাৰ গফুৰ ( ভাৰপ্ৰাপ্ত অধ্যাপক সমাজ সেৱা ), ওমৰ আলী আহমেদ ( ভাৰপ্ৰাপ্ত অধ্যাপক খেল-বিভাগ ), মিচ্ মেহৰুন নেছা বেগম ( ভাৰপ্ৰাপ্ত অধ্যাপিকা সাংস্কৃতিক শাখা ), অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ ( সভাপতি ), নুৰুল হক ( ভাৰপ্ৰাপ্ত অধ্যাপক তৰ্ক শাখা ), শ্ৰীভগীৰথ নাথ ( ভাৰপ্ৰাপ্ত অধ্যাপক আলোচনী বিভাগ ), মোঃ আজাহাৰ আলী ( সাধাৰণ সম্পাদক ছাত্ৰ একতা সভা ) ।

থিয় হৈ থকা— (বাওঁফালৰ পৰা) ঃ জালাল উদ্দিন আহমেদ ( সম্পাদক সমাজ সেৱা ), আব্দুছ ছামাদ (সম্পাদক সাংস্কৃতিক বিভাগ ), মোঃ ৰফিকুল ইচলাম ( সম্পাদক আলোচনী বিভাগ ), মোঃ শাৰফান আলী ( সহঃ সাধাৰণ সম্পাদক ), ৰছুল মামুদ ( সম্পাদক খেল বিভাগ ), আব্দুল জলিল ( সহঃ সম্পাদক খেল বিভাগ ), আবু আহমেদ ( সম্পাদক তৰ্ক শাখা ) ।

## Nabajyoti College Magazine

# ENGLISH SECTION

**1st Issue ★ Year 1978-79**

**IN-CHARGE**

*Sri Bhagirath Nath,* M. A.

**EDITOR**

Md. Rofiqul Islam.

# G. B. S., The iconoclast.

**A. S. Ahmed**
**Principal.**

During the last quarter of the sixteenth century and the first half of the twentieth century Geroge Bernard Shaw, an Irish man with a paradoxically literary bent of mind appeared in the field of English drama. George Bernard Shaw, popularly known as G. B. S. being deeply influenced by 'Ghost', 'The Pillar of the Society', 'The Wild Duck', 'Dool's House' and other plays by a Norwegian playwright. Ibsen who had dealt in his plays with keen observation the psychological tensions of characters of his plays started providing in English literary drama a new and precise thought during the era. The victorian literary artists reached the climax of traditional morales and ethics. But simultaneously new values of life in congruity with the needs of a new era, e. g. the twentieth century seemed an urgent need of the society. New discoveries and inventions in various fields began to broaden the horizon of men's out look. Old values and ideas were being forgotten and the new ones were yet to be understood. This age of transition in which G. B. S. appeared and lived has rightly been regarded by A. C. Ward, one of the greatest literary critics of this age as the Age of Interrogation.

The beginning of the twentieth Century was diametrically opposed to the Victorian age with regard to ideas and approaches. Shaw and

his contemporary writers were producing literary works which directly were a challenge to the victorian morales. Shaw among all of them was the most conspicuous. John Galsworthy's plays displayed rights and duties of the common people, Oscar Wilde dealt in hollow sentiment and aristocracy but Shaw's insight was deeper. Like Ibsen he looked into things which we generally ignore and giving much importance on them he made them interesting. The main targets of his attack were the age-long idols which did not have practical importance for an individual or a society. He not only tackled the conventionally worshiped idols which were hollow in all their implications but also turned up sides down and vis versa in order to convince his readers and audience what they actually were. In all this he wanted to bring about a change in the ideas and out looks of the age-long images. This way of breaking the images is called in other word, 'iconoclasm.' One who breaks the images is called an iconoclast.

George Bernard Shaw was an iconoclast. In order to show him as an iconoclast it is necessary to discuss his plays. In doing so I shall try to concentrate my view points particularly on the discussion on his 'Arms and The Man.' Like in other plays he created in 'Arms and The Man' problem and discussed it thoroughly. In 'Man and Superman' Shaw wants a race of superman. According to him man must persue after higher standard of morals, deeper knowledge and super taste for everything. If man or woman becomes stagnant in the persuit of his or her knowledge and wisdom, intelligence and intellect he or she must be superseded by a superior race. He does not think like Darwin that people originally monkeys were exterminated and the race of human beings came into being. Shaw, on the contrary thinks that if the existing race of human beings do not acquire higher knowledge some who will do so will supercede them and will become superman. So, in this play it is seen Ann the heroine of the play utters 'father for a superman' In 'Saint Juan' Shaw has attacked conservative way of christian belief. He has shown Juan of Arc as saint and not a heretic. He shows Salvation from God comes to individual man not through the Pope of Rome but directly. This reformative way of seeing christianity is an attempt of Bernard Shaw to have given a hard blow at the traditional belief of Catholic faith. In 'Pygmalion Shaw has attacked the conventional way of thought regarding the high birth and the low birth. He makes Eliza Doolittle, a flower selling girl coming from the lowest status of the society quite and accomplished lady by the deligence of Higgins, professor of phonetics. While she goes in the company of the members of the royal families, nobody can recognises her. Everybody mistakes her to be a member of either a royal family or an aristocratic family. His'Widower's Houses', 'The Devil's Disciples' 'Major Barbara' and other plays are the outcomes of particular problems reigning traditionally in the different Societies.

'Armes and The Man' one of the best comedies of George Bernard Shaw is a testimony in which he has attacked and smashed the images of conventional idea of love and war. The traditional idea on love is that biological attachment absenting itself spiritual love which is called platonic love or higher love may be there between a young man and young girl. But Shaw says that love is never devoid of biological necessity. Love between a boy and a girl is Nature's design for procreation which can not be avoided. Shaw has shown love between Major Sergius and Miss Raina. They are betrothed. When Sergius is in the battle field of Slivnitza Raina takes his photograph. She neither kisses it nor embraces it. She regards their love as higher love. So also Sergius does. But Shaw has drawn a juxtaposition between Sergius's love with Raina and flirtation scene between Sergius and Louka, the maid servant of Major Petkoff. This flirtation of Louka with Sergius weakens the notion of spiritual love of Raina with Sergius. Sergius is exposed. So also Raina as Raina romanti-

cally brought up kept her ideas concealed and her mental attachment with Captain Bluntschli unknown. This self deception being exposed Raina and Sergius are also exposed. Their higher love bears no meaning at all.

Like as love was and chivalry without practical and precise knowledge have been attacked by Shaw. He has shown Sergius as a legend of a hero of the middle age who takes all risks in the modern war fare. He wins the battle surprisingly. He never maintains scientific tactics of war. But he wants promotion. He never possesses practical knowledge. He makes a cavalry charge against an army of machine gun and deadly weapons. This makes him ridiculous. He realises what war is and cries, "war ! war ! a dream of the patriots and heroes ! a hollow sham like love". At the sametime Bluntschli has been shown as a practical soldier with an idea of living 'as long as one can'.

It is in this way that George Bernard Shaw picked up so many topics which, he thought, were to be added with new ideas cleaning out the rusty and unexpected and needless notions.





# Role of a student in a democratic country.

Md. Mozammel Hussain.
Vice Principal.

What should be the role of students in a democratic country ? What should they do and how should they gain ? These questions have upsurged the minds of the thinkers as well as of the educationists of the day. These are very important questions now-a-days and answers to them should be found out, but I must say a sorry that the space in this article to contain the full answers to these questions is quite limited. I am, however, trying to give a skeleton idea on this topic of discussion.

In a democratic country people's participation directly or indirectly in its administration is ensured. A modern democratic government, as described by Sir Everest Barker, is a government of discussion based on 5 p's in people, pulpit, press, party, and parliament. This means that the people of a democratic country have a share in the administration of it. In a democratic state, the government formed by the people, runs the administration for the wellfare of them.

Now the question arises as to what do the students of a democratic country do and how should they participate in it ? These questions may be answered after having discussed the aim of education and the duties of students. The aim of education is the building up of character, the development of personality and during the whole course of a school and a college

the student is to learn how to pray, to offer sacrifices and to perform his social and religious duties, and how he is to attain perfection of his self. During the course of learning he is to earn knowledge of different branches in order to qualify himself in the bivouac of life. Education also includes physical fitness. A student is to learn how to build a sound health. This is necessary because a sound mind lives only in a sound body. He should also know that in the struggle of existence knowledge is very essential Knowledge is power. It is more powerful than a sword. Nepoleon Bonaparte was a four feeted man but still he became powerful and paused a terror all over the world because he had the essential knowledge. There is a saying "To handle the stick of Bhim one is required to acquire his strength first." To do a thing a man must know how to do it and should possess the necessary knowledge of it. A man willing to do something without a knowledge of that always meets with a failure.

A student of a democratic Country has a greater responsibility upon him. He is the backbone of his nation. A student of today is the leader of to-morrow in a democratic state. On him rests the future prosperity of nation. A nation can prosper only when its citizens are sufficiently qualified to serve it. A student is to shoulder the task of building the nation. He has to be prepared to bear such a task. He should qualify himself to serve his nation. Thus a student should devote his whole attention to acquiring knowledge during his days in a school and a college. He is to learn and learn only. He should avoid active politics. The duty of a student is to study society and its phenomenon and to acquaint himself with the current political problems and the historical forces influencing them. He should widen his horizon of thought and ideas by studying books. This will help him when he will enter practical life and the nation will be much more benefitted by him.

●





## Report of the Editor

To begin with my secretarial report I pay whole hearted gratitude to the collegiate brothers and sisters who have offered me the opportunity to handle the affairs of our Nabajyoti College Magazine during the session 1978-79. Furthermore, I offer heartiest thanks to those who have voluntarily helped me in discharging my duties.

Since the establishment of the college a long period of nine years has elapsed without publishing any magazine from it. But it is during my term that the great task has been performed which eventually overwhelms my heart with joy and rapture. To have this long sought boon, I have to tackle out a good many complicated circumstances which deserve mention. Personally coming forward to carry out task I have had one bitter experience of being tenacious to adulate the students to submit necessary articles. Although many a student had submitted a number of stories and poems etc yet all those were not adequate and acceptable. So, I hope that the students will try to cultivate the habit of writing different types of progressive articles so as to help the future magazine secretary in carrying out the cumbersome task with a whit ease and comfort. I am grateful to those who hare contributed articles to the magazine.

**Acknowledgements :**


I offer special veneration to the principal Abdus Sattar Ahmed for his doling out many an enthusiastic advice, heartiest gratitude to the Vice Principal Mozammel Hussain for his extraordinary guidence, and warm obeisance to the Magazine Incharge Sri Bhagirath Nath for his taking the troubles of ractification of the articles and other benevolent help and direction in bringing the magazine into light.

I shall remain ever indebted to my chum Azahar Ali, Sharfan Ali, Hassan Ali, Kudrat Ali, Idrish Ali, Abdus Samad Ahmed and other boy-friends and girl-friends who have enthusiastically inspired me to bring out the magazine in no time. I am grateful to the manager of the Ghunucha Press, Barpeta along with its proof reader Mr. S. Pathak and other workers for their patient shouldering of the entire troubles in bringing the magazine into light.


At last I beg pardon for the unknown peccadilloes and untactful and hap-hazard management of the things in the magazine from its setting to the end. After all I am very glad to hand over a copy of magazine to you with thousand-thanks.

with gratitude
**Md. Rofikul Islam**
Magazine Secy
N. J. College, Kalgachia.






*Md. Rofiqul Islam.*
Editor.



*Rosul Mahmud.*
Best-man Player.



*A. Samad Ahmed.*
Best-man Player.

★ ওৱেট দলিওৱা

প্ৰথম— মিচ মাহমুদা খাতুন পি ইউ ১ম বাৰ্ষিক

দ্বিতীয়— মিচ আমেনা খাতুন পি ইউ ১ম বাৰ্ষিক

তৃতীয়— শেপালী পি ইউ ১ম বাৰ্ষিক

★ দিচকাচ দলিওৱা

প্ৰথম— শেপালী পি ইউ ১ম বাৰ্ষিক

দ্বিতীয়— আমেনা খাতুন পি ইউ ১ম বাৰ্ষিক

তৃতীয়— ৰহিমা খাতুন পি ইউ ১ম বাৰ্ষিক

## গান প্ৰতিযোগিতা ছাত্ৰ বিভাগ।

★ আধুনিক গীত

প্ৰথম— আব্দুল কৰিম পি ইউ ২য় বাৰ্ষিক

দ্বিতীয়— আব্দুল খালেক পি ইউ ২য় বাৰ্ষিক

তৃতীয়— শহিদুল ইছলাম পি ইউ ১ম বাৰ্ষিক

★ লোকগীত

প্ৰথম— নবিবৰ ৰহমান বি এ ১ম বাৰ্ষিক

দ্বিতীয়— আব্দুল কৰিম পি ইউ ২য় বাৰ্ষিক

তৃতীয়— শহিদুল ইছলাম পি ইউ ১ম বাৰ্ষিক

★ গজল

প্ৰথম— নবিবৰ ৰহমান বি-এ ১ম বাৰ্ষিক

দ্বিতীয়— কৰিম পি ইউ ১ম বাৰ্ষিক

তৃতীয়— আজাহাৰ আলী বি-এ ১ম বাৰ্ষিক

## ১৯৭৮-৭৯ চনৰ ছাত্ৰ একতা সভাৰ সভ্যসকল—

: সাধাৰণ সম্পাদক :
মোঃ আজাহাৰ আলী

: সহঃ সাধাৰণ সম্পাদক :
মোঃ শাৰফান আলী

: আলোচনী সম্পাদক :
মোঃ ৰফিকুল ইছলাম

: খেল সম্পাদক :
মোঃ ৰচুল মামুদ

: সহঃ খেল সম্পাদক :
আঃ জলিল

: তৰ্ক সভাৰ সম্পাদক :
আবু আহম্মেদ

: সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক :
আঃ ছামাদ আহম্মেদ

: সমাজ সেৱাৰ সম্পাদক :
জালাল উদ্দিন আহম্মেদ

: ছোৱালী জিৰণি কোঠাৰ সম্পাদক :
মিচ. আলোৰাণী সাহা

## ১৯৭৮-৭৯ চনৰ বিভিন্ন বিভাগৰ শিক্ষক তত্বাৱধায়ক সকল—

- ছাত্ৰ সভাৰ সভাপতি
  অধ্যক্ষ, আঃ ছাত্তাৰ আহম্মেদ, এম-এ
  উপাধ্যক্ষ, মোজাম্মেল হুছেইন, এম-এ, এল-এল-বি
- আলোচনী বিভাগ— শ্ৰীভগীৰথ নাথ
- খেল বিভাগ— ওমৰ আলী আহম্মেদ
- তৰ্ক বিভাগ— নুৰুল হক

## আমাৰ শ্ৰদ্ধাভাজন শিক্ষাগুৰুসকল

আব্দুছ ছাত্তাৰ আহম্মেদ, এম-এ, অধ্যক্ষ।
মোজাম্মেল হুছেইন, এম-এ, এল-এল-ৰি, উপাধ্যক্ষ।
ওমৰ আলী আহম্মেদ, এম-এ।
ছলেমান খাঁন, এম-এ।
মতিয়াৰ ৰহমান, এম-এ।
খন্দকাৰ গফুৰ, এম-এ।
সেখ ওমৰ আলী আহম্মেদ, এম-এ।
আব্দুছ ছালাম আহম্মেদ, এম-এচ-চি।
নুৰুল হক, এম-এ।
আব্দুছ ছাত্তাৰ আহম্মেদ, এম-এ।
গফুৰ দেৱান, এম-এ।
মেহেৰুন নেচা বেগম, এম-এ।
শ্ৰীভগীৰথ নাথ, এম-এ।
শ্ৰীলম্বিত কোঁৱৰ, এম-এ।
শ্ৰীঘনশ্যাম ভৰালী।
আব্দুছ ছালাম।
আবুল হুছেইন।
মজিবৰ ৰহমান।
আব্দুল বাৰেক } চৌকীদাৰ
মোঃ আজাহাৰ আলী } চৌকীদাৰ

BARAJYOTI COLLEGE LIBRARY ★ P.O.

বৰপেটা ঘুনুচা প্ৰেছত শ্ৰীপ্ৰদীপ সূত্ৰধৰৰ দ্বাৰা মুদ্ৰিত।